# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME II

## No. 3

The 14th March, 1986

1989

PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME II

### No. 3

The 14th March, 1986

1989

PRINTED AT THE PAPLOO PRINTERS
JORHAT

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

( BUDGET SESSION )

Volume—II

No. 3

Dated, the 14th March, 1936.

## CONTENTS


| | | |
|---|---|---|
| 1. | Questions ... ... ... | 6—15 |
| 2. | Calling Attention Notice — | 15 |
| 3. | Matter Under Rule 301 — ... | 16—19 |
| 5. | Miscellaneous — — — | 19—21 |
| 4. | General Discussion on the Budget — — | 21—53 |
| 6. | Adjournment — — — | 54 |


—+—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

**BUDGET SESSION**

**VOLUME II**

**NO. 3**

The 14th March, 1986

**Proceedings of The Budget Session of the Assam Legislative Assembly assembled after the Eighth General Elections under Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur Guwahati on Friday, the 14th March, 1986 with the Hon'ble Speaker, in the Chair, 14 ( fourteen ) Ministers, 7 ( seven ) Ministers of State, and 93 ( ninty three ) Members present.

## STARRED
## QUESTIONS AND ANSWERS
### ( To Which oral replies were given)

**Re : Fire Service station of sonai Bazar**

Shri Abdul Rob Laskar asked :

*8. Will the Minister, Home be pleased to state :

(a) Whether the Govt. is aware of the fact that Sonai Bazar under Silchar Sub-division is in need of a Fire Service Station ?

(b) If so, whether Govt. proposes to sanction such a Fire Service Station at Sonai Bazar ?

(c) If not, why ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) : যে উত্তৰ দিছে :

৮। (ক) নাই ।

(খ) নাই পোৱা।

(গ) সোনাই বজাৰ শিলচৰ নগৰৰ পৰা মাত্ৰ ১১ কিঃ মিঃ দূৰত অৱস্থিত । শিলচৰত থকা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ পৰাই সোনাই বজাৰৰ কাম সুকলমে চাই আছে।

Shri Ardhendu Kumar Dey : Sir. may I know from the Hon'ble Minister, Home, whether the Govt will take a decision to sanction a Fire Service Station at Lumding ?

Mr. Speaker : It is a separate question.

Shri Altaf Hossain Mazumdar : Mr. Speaker, sir. the Honble Minister-in charge of Home Deptt. has stated that since Sonai Bazar is within 11 k. m. from Silchar, the Fire Service Station of Silchar can serve the purpose of Sonai

Bazar and there is no need of a Fire Service Station at Sonai. Sir, the whole point is that throughout the Eastern Silchar, there is no Fire Service Station and if a Fire Service Station is sanctioned at Sonai Bazar, it will not only serve Sonai area but will serve the need of the whole eastern Silchar side. In view of this, may I request the Hon'ble Minister to consider such a proposal ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অগ্ৰাধিকাৰ ভিত্তিত এই বিলাক স্থাপন কৰা হৈছে। এই বিষয়ে বিবেচনা কৰি চাম।

শ্ৰীগোলক ৰাজবংশী : মন্ত্ৰী মহোদয়ে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ অগ্ৰাধিকাৰ ভিত্তিত স্থাপন কৰা হয় বুলি কৈছে কি প্ৰিনচিপুলৰ ভিত্তিত অগ্ৰাধিকাৰ দিয়া হয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : আচলতে অগ্ৰাধিকাৰ জনসংখ্যাৰ ভিত্তিত কৰি জৰীপ কৰা হয়।

শ্ৰীগোলক ৰাজবংশী ঃ জনসংখ্যাৰ ভিত্তিত নকৰি য'ত জুই লগাৰ সংখ্যা বেছি বা জুই লাগিব পাৰে সেই কথা বিবেচনালৈ নানে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : জনসংখ্যা য'ত বেছি থাকে তাত ঘৰ বেছি থাকিবই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ পূৰ্ব্বৰ চৰকাৰে অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ সুবিধা বহুত ঠাইত যোগাব পৰা নাছিল তাৰ কাৰন মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ এইটো স্থকীয়া প্ৰশ্ন।

Shri Abdul Rob Laskar : Sir, may I know from the Hon'ble Minister, Home, how many times Sonai Bazar was gutted by fire during the last 15 years and what amount was sanctioned by the Govt. to the fire victims ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : সোনাই বজাৰত আগতে অগ্নিকাণ্ড হোৱা কথাটো চৰকাৰৰ নজৰত নাই।

## বিঃ অসম কৃষি উদ্যোগ নিগম ।

শ্রীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম কৃষি উদ্যোগ নিগমৰ নং ই, এন, জিজি-১২/৮৫-৮৬/৪১ তাং ৯ জানুৱাৰী, ১৯৮৬ এই চিঠিখনত কি নিৰ্দেশ আছে আৰু এই নিৰ্দেশ গোপনীয় নেকি ?

(খ) এ, এচ, এন ১৯৫০ নম্বৰৰ গাড়ীখন মেৰামতি কৰোতে কিমান টকা খৰচ হৈছিল আৰু এই মেৰামতিৰ নামত খৰচ হোৱা ধন বিধি সম্মত ভাবে কৰা হৈছিলনে ?

(গ) মেমো নং ১৬৭/৮২/১৩৫ তাং ১-৭-৮২ অনুসৰি নিগমৰ শাখা পৰিচালকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমোদন নোহোৱাকৈ ২৬,০০০'০০ টকা খৰচ কৰিব পাৰেনে ?

শ্ৰীনীলমণি দাস (কৃষিমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯। (ক) নং ই, এন, জিজি-১২/৮৫-৮৬/৪১ তাং ৯-১-৮৬ চিঠিখন গোপনীয় হয়। এই চিঠিখনত বিষয়াজনৰ ওপৰত গাড়ী মেৰামত কৰা অনিয়মিত খৰচৰ কাৰণে বিভাগীয় তদন্ত কৰা হব বুলি জনোৱা হৈছিল। যিহেতু গাড়ীখন নিগমৰ কামৰ কাৰণে বিশেষ দৰ্কাৰ বুলি ভবা হৈছিল, তদন্ত সাপেক্ষে ২৬,৫০৯'০০ টকা মেৰামতি আৰু সা-সৰঞ্জাম আদি দিয়াৰ বাবদ খৰচটো মঞ্জুৰ কৰা হৈছিল। গাড়ীখনৰ মেৰামতি একান্ত প্ৰয়োজন হৈছিল।

(খ) এ, এচ, এন ১৯৫০ নম্বৰৰ গাড়ীখন মেৰামতি কৰোতে ২৬,৫০৯'০০ টকা খৰচ কৰা হয়। এই খৰচ যিনি জিলা পৰ্য্যায়ত প্ৰথম দৰ্শনত অনিয়মিত হৈছিল। পৰিচালক সঞ্চালকে অনুমোদন দিয়াত ই অনিয়মিত বুলি ধৰা নেযায়।

(গ) শাখা পৰিচালকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমোদন নোপোৱাকৈ ২৬,৫০৯'00 টকা খৰচ কৰিব নোৱাৰে। সেই কাৰণে তেওঁৰ কাম অনিয়মিত বুলি কৈফিয়ৎ তলব কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, ৰাজহুৱা ধন ব্যয় কৰোতে গোপনীয়তা ৰক্ষা কৰিব লাগে নেকি ? যিখন চিঠিৰ দ্বাৰা এই টকা পেমেণ্ট কৰিবৰ কাৰণে যোগাযোগ কৰা হ'ল সেইখনক কিয় গোপন বুলি কোৱা হ'ল ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) ঃ মই মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটোৰ উত্তৰ হিচাবে জনাব বিচাৰিছো যিখিনি পইছা খৰছ কৰা হৈছে এই চিঠিখনত উল্লেখ আছে আৰু সেই কাৰণে এই চিঠিখন গোপন বুলি ধৰা হৈছে। এই কাৰণেই ধৰা হৈছে এই চিঠিখনত এটা খৰছৰ বিপক্ষে তদন্ত কৰিবলৈ জনোৱা হৈছে। কাৰোবাৰ বিৰুদ্ধে কিবা তদন্ত কৰিবলগীয়া হলে তাক গোপন বুলি ধৰা হয়।

শ্ৰীজয়নাথ শৰ্ম্মা : উত্তৰটো ভুলকৈ দিয়া হৈছে। এই চিঠিখনত পেমেণ্টৰ অৰ্ডাৰ দিয়া হৈছে। এইচিঠিখন মন্ত্ৰী মহোদয়ে আমাক পঢ়ি শুনাব লাগে। ২৬,৫০৯ টকা অনিয়মিত খৰছ কৰা হৈছে যি খৰছ নিগমৰ অনুমতি নোহোৱাকৈ কৰিব নোৱাৰে। যিহেতু খৰছ কৰিবই নোৱাৰে তেনেস্থলত নিগমৰ নিম্নখাপৰ বিষয়া জনে বিধিৰ বাহিৰত গৈ কেনেকৈ খৰছ কৰিলে? চৰকাৰে এই বিষয়া সকলৰ ওপৰত যি সকলে ৰাজহুৱা ধনৰ অপব্যয় কৰিছে সেই দোষী বিষয়া সকলৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) ঃ এইটো আগৰ চৰকাৰৰ দিনতে হোৱা কথা। এতিয়া আমাৰ মাননীয় সদস্য গৰাকীয়ে প্ৰস্তাৱ আকাৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে যেতিয়া ইয়াৰ পিছত নিশ্চয় যথাবিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্ম্মা : কথাটো হৈছে মোৰ (গ) প্ৰশ্ন উত্তৰত মন্ত্ৰী মহোদয়ে এই খৰছ অনিয়মিত বুলি কৈছে। এই অনিয়মিত খৰছ বুলি কোৱাৰ পাছত আকৌ কিয় তদন্ত কৰিব লগীয়া হ'ল? চোৰ বিষয়াজনৰ ওপৰত কিয় ব্যৱস্থা লব পৰা নাই ? এইবিলাক কাৰ্য্যৰ দ্বাৰা অসম গণপৰিষদ চৰকাৰক ৰাইজৰ ওচৰত হেয় প্ৰতিপন্ন কৰাৰ ষড়যন্ত্ৰ চলিছে। এই ৰাজহুৱা ধন চোৰ বিষয়া জনৰ ওপৰত চৰকাৰে কিয় শাস্তিমূলক ব্যৱস্থা লব পৰা নাই ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) ঃ এই প্ৰশ্নটো আমাৰ মন্ত্ৰীসভা গঠন হোৱাৰ পাছত প্ৰথমবাৰ আহিছে ইয়াৰ পিছত কাৰ্য্যকৰী ব্যৱস্থা নিশ্চয় লোৱা হব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ কাৰ্য্যকৰী ব্যৱস্থাৰ কাৰণে মন্ত্ৰী মহোদয়ে এটা সময় সীমা বান্ধি দিবনে ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) : এই বিষয়টো ইতিমধ্যে তদন্তৰ বাবে দিয়া হৈছে, সময় সীমা বান্ধি দিব নোৱাৰি কাৰণ প্ৰশাসনীয় কথা অলপ দেৰি হব পাৰে ।

শ্ৰীজয়নাথ শৰ্ম্মা : মোৰ প্ৰশ্নৰ উত্তৰত খৰছটো অনিয়মিত বুলি কোৱাৰ পাছতো বিহীত ব্যৱস্থা লোৱাত সময় সীমা বান্ধি দিয়াত কি অসুবিধা থাকিব পাৰে ? দোষী বিষয়াক চৰকাৰে ৰক্ষণাবেক্ষণ দিব নালাগে গতিকে হয় এদিনৰ ভিতৰত নতুবা এসপ্তাহৰ ভিতৰত বা তিনিদিনৰ ভিতৰত নহলে ৩ ঘণ্টা ভিতৰত বিহীত ব্যৱস্থা লম বুলি প্ৰতিশ্ৰুতি দিয়ক ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) : এই বিধান সভা বহুত দিনেই চলি থাকিব । ইয়াৰ ভিতৰতে যদি আমি ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰো তেনেহলে আকৌ প্ৰশ্ন উথাপন কৰিব পাৰিব ।

শ্ৰীজয়নাথ শৰ্ম্মা : এই উত্তৰত মই সন্তুষ্ট হোৱা নাই যিহেতু প্ৰশ্নটোৰ উত্তৰ দিওতেই অনিয়মিত বুলি স্বীকাৰ কৰা হৈছে গতিকে কি ধৰণৰ শাস্তি আৰু কিমান দিনৰ ভিতৰত শাস্তি দিয়া হব আমি জানিব বিচাৰিছো । আমি জনাত এই বিষয়া সকল বেলেগ নিগম] অথাৎ ষ্টেটফেদলৈ স্থানান্তৰ কৰা হৈছে আৰু এমডি-জনক ষ্টেটফেদৰ উচ্ছপৰ্য্যায়ৰ বিষয়া হিচাবে স্থানান্তৰ কৰা হৈছে । গতিকে বিহীত ব্যৱস্থা কেতিয়া লব মন্ত্ৰী মহোদয়ে আমাক কথা দিব লাগে ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) : সময় সীমা দিব মোৱাৰো । পৰিপূৰক প্ৰশ্নত এইবিলাক লিখি দিয়া নাই । মই অকনমান আলোচনা কৰি কম ।

Shri Charan Narzari : Sir, may I put a supplimentary ? When motor vehicles of the Agriculture Farming Corporation are running it gives an impression that this farming corporations are living. Do the Government have any impression as to how many agricultural farming corporations are living and how many are there ?

Mr. Speaker : I think there should be a separate question for this.

Shri A. F. Gulam Osmani : Sir, we feel that there should be an half an hour discussion in view of the fact that has came out during this question.

Mr. Speaker : Notice is required for this.

## Re : Assam Tea Employees Welfare Fund Act.

Shri Dileswar Tanti asked :

*10. Will the Minister, Labour be pleased to state :

(a) Whether the Management of Tea Gardens in Assam have implemented the contributory provisions of the Assam Tea Employees Welfare Fund Act as ammended recently ?

(b) If so, what are the number of gardens that have complied with and what are the number of gardens that are yet to implement the provisions ?

(c) What is the total amount so far has been collected in the fund ?

Shri Barki Prasad Telenga (Minister, Labour) replied :

10. (a) Yes, it is in the process of implementation.

(b) 285 Tea Garden Employers have transferred Employees and Employers contribution till 6.3.86. As many as 475 Tea Gardens are yet to respond to this new provisions of the Act.

(c) A total amount of Rs. 7,06,466.00 (Rupees Seven lakhs six thousand four hundred sixty six) only representating the Employees and Employers contribution was received till 6.3,86.

শ্ৰীদিলেশ্বৰ তাতী : অধ্যক্ষ মহোদয়, উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে, ১৯৮৬ চনৰ ৬ মাৰ্চলৈকে ৭৫০ খন চাহ বাগিছাৰ ভিতৰত ২৮৫ খন চাহ বাগিছা ওৱেলফেয়াৰ

ফাণ্ড এমেণ্টমেণ্ট প্ৰভিজন ইম্প্লিমেণ্ট কৰিছে। ইতিমধ্যে ৭ লাখ টকা সংগ্ৰহ কৰা হৈছে যত ২০ লাখ টকা সংগ্ৰহ কৰা কথা আছিল। কি কি কাৰণত যিমান খিনি টকা সংগ্ৰহ হব লাগিছিল সেই খিনি হোৱা নাই, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। ইয়াৰ ভিতৰত অন্যান্য কি কাৰণে বৰ্ত্তমান আমাৰ ওৱেলফেয়াৰ ফাণ্ডৰ সংগ্ৰহৰ কাৰণে যিমান জন পৰিদৰ্শক বিষয়া নিয়োগ হব লাগিছিল হোৱা নাই, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। বৰ্ত্তমান কিমান জন বিষয়া নিয়োগ কৰা হৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত কও যে, কল্যান পৰিষদৰ এই আইন ১৯৮৫ চনৰ ১৩ নবেম্বৰত ৰাজ পত্ৰত প্ৰকাশ হৈছিল। সংশোধনী হল ১৩ নবেম্বৰ তাৰিখে। তাৰ পাচত কাগজ কলম ঠিক কৰি লওতে অলপ পলম হোৱাতো স্বাভাবিক। চাহ বাগিছাৰ পৰা যিমান খিনি বৰঙনি তোলা হৈছে সেই খিনি ইমান কম সময়ৰ ভিতৰত সম্পূৰ্ণ নোহোৱাটো স্বাভাবিক। কিন্তু আমি এই বৰঙনি বিলাক অতি সোনকালে তুলি অনাৰ কাৰণে চেষ্টা কৰি আছো। মই আশা কৰিছো যে কম সময়ৰ ভিতৰতেই সেই খিনি কৰিব পাৰিম।

শ্ৰীদিলেশ্বৰ তাতী : অধ্যক্ষ মহোদয়, মই জনা মতে কেবল মাত্ৰ তিনি জন পৰিদৰ্শক বিষয়া নিয়োগ কৰা আছে আৰু তাৰ লগতে দুজন কমিচনাৰ আছে। গতিকে মাত্ৰ ৫ জন পৰিদৰ্শকে ৭৫০ খন চাহবাগিছাৰ ওৱেলফেয়াৰ ফাণ্ড সংগ্ৰহ কৰাৰ ব্যৱস্থা আছে। গতিকে মই মন্ত্ৰ মহোদয়ৰ পৰা জানিব বিছাৰিছো যে যিহেতুকে ইমান কম পৰিদৰ্শক হোৱা হেতুকে কাম বিলাক পলম হৈছে, গতিকে তেখেতে বিবেচনা কৰি গোটেই অসমৰ চাহ বাগিছাবিলাকত জিলা ভিত্তিত বা মহকুমা ভিত্তিত কিছু পৰিদৰ্শক নিয়োগ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই তেখেতৰ প্ৰশ্নৰ জৰিয়তে এটা সুন্দৰ উপদেশ দিছে। মই বোৰ্ডৰ লগত আলোচনা কৰি যথোউপযুক্ত ব্যৱস্থা লবলৈ চেষ্টা কৰিম।

## Re : Master Plan for Karimganj Town :

Shri Abdul Muqtadir Choudhury asked :

*11. Will the Minister, Town and Country Planning be pleased to state :

(a) The plan & programme taken up under Master Plan of Karimganj Town ?

(b) The amount spent in 1985-86 and the amount earmarked for 1986-87 for the development of Karimganj Town ?

(c) Whether any office of Town and Country planning has been opened at Karimganj ?

Shri Atul Bora (Minister, T & C.P.) replied :

11. (a) No.

(b) (1) An amount of Rs. 2.10 lakhs have been spent by this Department for the development of Karimganj town during 1985-86.

(2) An amount of Rs. 6.15 lakhs has been earmarked for 1986-87.

(c) An office of Town and Country Planning Organisation has been sanctioned for Karimganj, by Govt. vide letter No. TCP. 160/82/72 dated 20.2.86.

Shri Abdul Muqtadir Choudhury : Sir, whether this has been opened or not ?

শ্রীঅতুল বৰা (মন্ত্রী): টকা চেংচন হৈছে ৬'১৫ লাখ। এতিয়া সেইমতে কাম কৰা হব।

Shri Abdul Muqtadir Choudhury : Sir, this has been taken up under Master Plan, but the Minister in his answer says 'No'. Let it be clarified by the Minister.

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাষ্টাৰ প্লেন আছে। ইয়াত আছে; গোটেইখিনি কথা কিন্তু পঢ়ি দিলে বহুত সময় লাগিব।

শ্ৰীআব্দুল মুক্তাদীৰ চৌধুৰী : ইয়াত 'নো' বুলি কৈছে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : কিছুমান অত্যন্ত দৰকাৰী কাৰণে কৰা হৈছে। মাষ্টাৰ প্লেন নাথাকিলেও এটা সাধাৰণ প্লেন আছে আৰু সেই মতে কৰা হৈছে। এই গোটেইখিনি পঢ়িব লাগিব নেকি, সময় লব।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্ত্তা আৰু উত্তৰ দিওঁতা দুয়োজনে ব্যক্তিগত প্ৰশ্নোত্তৰৰ নিচিনা কথা কৈ আছে। মাননীয় সদস্য সকলে আৰু মন্ত্ৰী মহোদয়ে অধ্যক্ষ মহোদয়ক সম্বোধি প্ৰশ্নোত্তৰ সমূহ আগবঢ়াই নিব লাগে।

মাননীয় অধ্যক্ষ : তেনেদৰে নহব। মন্ত্ৰী মহোদয়ে কব মাষ্টাৰ প্লেন আছে নে নাই ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাষ্টাৰ প্লেন নাই বুলি কৈছো। মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কব বিচাৰিছো অধ্যক্ষ মহোদয়, মাষ্টাৰ প্লেন নাই যদিও প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হৈছে।

এইখিনি কাম আৰম্ভ কৰা হৈছে। এইটো প্ৰশ্নৰ উত্তৰ কৈছোৰেই। মাষ্টাৰ প্লেন নাই কেৱল প্ৰাৰম্ভিক কামৰ কাৰণেহে এই চেংচন দিয়া হৈছে।

## Re : Chief Engineer, P.H.E.

Shri Shahidul Islam asked :

*12 Will the Minister, Public Health Engineering be pleased to state :

(a) Is it a fact that the present Chief Engineer (PHE). Assam, has been holding the same post since 1970 ?

(b) Is it also a fact that a Government employee under transferable service generally cannot stay at the same station at the same post more than three years ?

(c) If so, why the above mentioned Chief Engineer (PHE), has not been transferred in so many years ?

Shri Digen Chandra Bora (Minister, Public Health Engineering) replied :

12. (a) Yes.

(b) Yes.

(c) There is no other equivalent post in Public Health Engineering Organisation to transfer the present Chief Engineer (PHE).

Hon'ble Speaker : Now Question No. 12, Shri Sahidul Islam.

শ্ৰীছহিদুল ইচলাম ঃ অধ্যক্ষ মহোদয়, বৰ্ত্তমান চিফ ইঞ্জিনীয়াৰ পি-এইচ-ই বিভাগত যোল্ল বছৰৰ অভিজ্ঞতা থকা লোক আছে। তেওঁ কাৰ্য্যবাহী অভিযন্তাৰ পৰা অধীক্ষক অভিযন্তা নোহোৱাকৈ মুখ্য অভিযন্তা হব পাৰিছে অন্য বহুত বিলাকক চুপাৰচীফ কৰি। সেই বিষয়াজনে বাহিৰত গৈ ট্ৰেইনিং পৰ্য্যন্ত লৈ আহিছে। চীফ ইঞ্জিনীয়াৰ কাৰণে লণ্ডনৰ ডিগ্ৰীধাৰী লোক আছে। তাত গৈ ডিপ্লমা লৈ আহিছে কিন্তু তেখেতক কিয় প্ৰমোচন দিয়া হোৱা নাই।

( ভইচ ঃ প্ৰশ্নহে কৰিব লাগে। বক্তৃতা দিব নোৱাৰে )

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, পৰিপূৰক প্ৰশ্নহে কৰিব পাৰে। বক্তৃতা দিব নোৱাৰে। আমাকো দিয়া নাছিল।

মাননীয় অধ্যক্ষ ঃ অৰ্ডাৰ, অৰ্ডাৰ। আপুনি বহক। বহক।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আমাৰ পৰিপূৰক প্ৰশ্ন আছে।

মাননীয় অধ্যক্ষ ঃ নো। নট এলাউড।

## Calling Attention

মাননীয় অধ্যক্ষ ঃ এতিয়া আইটেম নং ২ মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী।

( অনুপস্থিত )

## Matter Under Rule 301

এতিয়া আইটেম নং ৩।

শ্রীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৮৬ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'অবাধগতিত বনাঞ্চলত ধ্বংসলীলা চলি আছে' শীৰ্ষক বাতৰিৰ সন্দৰ্ভত বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিবলৈ এই পবিত্ৰ বিধান সভাত উথাপন কৰিছো। এইটো এটা গুৰুত্বপূৰ্ণ আৰু ৰাজহুৱা স্বাৰ্থ জড়িত বিষয়। ৰাজ্যখনৰ স্বাৰ্থজড়িত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত কি ব্যৱস্থা লৈছে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা বিবৃতি এই সদনৰ মজিয়াত আশা কৰিলো।

শ্রীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ মজিয়াত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই দৈনিক অসম বাতৰি কাকতত যোৱা ১১ ফেব্ৰুৱাৰী সংখ্যাত প্ৰকাশিত 'অবাধ গতিত বনাঞ্চলৰ ধংসলীলা চলি আছে' শীৰ্ষক বাতৰিলৈ দৃষ্টি আকৰ্ষণ কৰা প্ৰস্তাৱ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। উক্ত বাতৰিটোও চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত মই সদনত জনাব খোজো যে ইতিমধ্যে চৰকাৰে বনাঞ্চল সংৰক্ষণৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে আৰু যোৱা বিধান সভাৰ অধিবেশনত এই বিষয়ে চৰকাৰৰ তৰফৰ পৰা এটি বিবৃতিও দিয়া হৈছিল। এই বিবৃতিত কোৱা হৈছিল যে চৰকাৰে বননিকৰণ আৰু বনাঞ্চল পুনৰ সজ্জিৱীত কৰণ আচনিৰ বাবে কাটিবলগীয়া কাঠৰ বাদে আন সকলো ধৰণৰ কাঠ কটা বন্ধ কৰিছে। তদুপৰি কাঠৰ চোৰাং ব্যৱসায় বন্ধ কৰিবৰ বাবে প্ৰতিটো সংমণ্ডলতে বিশেষ তদাৰকী দল গঠন কৰি দিয়া হৈছে। ইতিমধ্যে এই তদাৰকী দলে বহুতো চোৰাং কাঠ জব্দ কৰিছে আৰু কাঠফলাকল, প্লাইউড কল আৰু অন্যান্য সন্তৰপৰ স্থানত খানাতালাচী চলাই আছে। ইয়াৰ উপৰিও কোনো ব্যৱসায়ী প্ৰতিস্থান অথবা ব্যক্তিগত লোকক কাঠৰ নতুন পাৰ্মিত দিয়া সম্পূৰ্ণ বন্ধ কৰি দিয়া হৈছে। আগৰ চৰকাৰে দিয়া অনিয়মীয়া পাৰ্মিটত কাঠ নিবলৈ দিয়া হোৱা নাই। আনহাতে বনাঞ্চলৰ পৰা বিভাগীয় ভাবে কাঠ কাটি বিতৰণ কৰাৰ ক্ষেত্ৰত এক দীৰ্ঘম্যাদী আঁচনি লোৱাৰ কথা চিন্তা কৰা হৈছে। এই সম্পৰ্কত অসমৰ অতিৰিক্ত মুখ্যসচিবক লৈ এখন এজনীয়া তদন্ত আয়োগ গঠন কৰি দিয়া হৈছে। এই আয়োগে বিগত বছৰবোৰত কাঠৰ পাৰ্মিত দিয়া

সম্পৰ্কত উঠা সকলোবোৰ অভিযোগ তদন্ত কৰি বনাঞ্চলত অবৈধ কাম কাজ বন্ধ কৰিবৰ কাৰণে কি ধৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থা লব পাৰি সেই সম্পৰ্কে প্ৰতিবেদন তিনিমাহৰ ভিতৰতে দাখিল কৰাৰ কথা আছে। সেই প্ৰতিবেদন পোৱাৰ পিচত বাস্তৱ সন্মত ব্যৱস্থা এই ক্ষেত্ৰত লব পৰা হব বুলি মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে সদনত জনালো।

বাতৰিটোত উল্লেখ কৰা মতে যোৱা ২৭ জানুৱাৰী তাৰিখে সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ পৰিষদৰ বিষয়ববীয়া সকলে জব্দ কৰা কাঠ বোজাই ট্ৰাকৰ সম্পৰ্কেও অনুসন্ধান কৰিবলৈ মুখ্য বন সংৰক্ষকক নিৰ্দ্দেশ দিয়া হৈছে। অসমৰ কাঠ কাটি মেঘালয় হৈ স্থানান্তৰ কৰি পুনৰ অসমলৈ অনা সম্পৰ্কেও তদন্ত কৰিবলৈ দিয়া হৈছে আৰু প্ৰতিবেদন পালে যথাবিহিত ব্যৱস্থা হাতত লোৱা হব। কাঠৰ চোৰাং কাৰবাৰ বন্ধ কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহায় সহযোগ নিশ্চয় আদৰিম। এনে ধৰণৰ বে-আইনী কাৰ্য্যকলাপ বন্ধ কৰিবলৈ বৰ্ত্তমান চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। এই খিনি কথা মই সন্মানিত সদনৰ জ্ঞাতাৰ্থে জনালো। ধন্যবাদ।

শ্ৰীগোলোক ৰাজবংশী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ বনাঞ্চল বেদখল সংক্ৰান্তৰ কথাটো আজি এটা জাতীয় সমস্যা ৰূপে ঠিয় দিছে। যোৱা কালি মাননীয় সদস্য শ্ৰীচৰণ নাজাৰী ডাঙৰীয়াই এই বিষয়ে বহু কথা এই সদনত আলোচনা কৰিছে। এই সম্পৰ্কত উদ্ভৱ হোৱা দুটা কথা মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে ইয়াত উত্থাপন কৰিব বিচাৰিছো। বনাঞ্চলত চোৰাং কাঠৰ কাৰবাৰ বে-আইনী ভাবে অনবৰতে চলি আছে আৰু বনাঞ্চল ধ্বংস কৰি আছে।

(ভয়চ—আগৰ চৰকাৰৰ দিনত)

(ভয়চ—কংগ্ৰেছৰ দিনত)

কংগ্ৰেছৰ দিনতেই হওক বা আন চৰকাৰৰ দিনতেই হওক বা এতিয়া চৰকাৰৰ দিনতেই হওক মুঠতে এই সমস্যাটো চলি আছে। মই বিষয়া সকল ভাল বেয়া বুলি মন্তব্য দিয়া নাই। এই সম্পৰ্কে মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই কৈছে ময়ো কৈছো। বনাঞ্চলৰ পৰা উৰ্চ্ছেদ কৰি থকা হৈছে আৰু ইয়াৰ দ্বাৰা সমস্যাটো অধিক জটিল কৰি তোলা হৈছে। আনহাতে চোৰাং কাঠ কটাৰ কাৰবাৰো চলি আছে ইয়াত অকল চোৰাং কাঠ ব্যৱসায়ী হে যে জৰিত আছে এনে নহয় আন

কেইবাটাও চক্র জৰিত হৈ আছে। আমি এটা কথা গভীৰ ভাবে চিন্তা কৰিব লাগিব সেইটো হৈছে বনাঞ্চলৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰাৰ লগে লগে তেওঁলোকৰ সমস্যাটোৰ বিষয়েও আলোচনা কৰিব লাগিব। তেওঁলোকক ক'ত কেনে ধৰণে সংস্থাপন কৰিব লাগিব এইটোও বিচাৰ্য্য বিষয় ৰূপে চাব লাগিব। আজি বনাঞ্চলৰ পৰা শ শ লোকে দৈনিক এবোজা এবোজা কৰি কৰি কাঠ কাটি আনি বজাৰত খৰি হিচাবে বিক্ৰি কৰে। এনেদৰেও বহুত কাঠ ধ্বংস কৰা হয়। কিন্তু এই লোকসকলে এইটো কাম কৰে কেৱল নিজৰ জীৱিকাৰ কাৰণেই। তেওঁলোকৰ ভৰণ-পোষণৰ আন কোনো উপায় নাই। হাবিত সোমাই গছ কাটি সেই গছ বজাৰত খৰি হিচাবে বিক্ৰি কৰি নিজৰ পৰিয়াল পোহপাল দিয়ে। এতিয়া আমি এইখিনি মানুহৰ কথাও গভীৰ ভাবে চিন্তা কৰা উচিত। তেওঁলোকৰ জীৱিকাৰ বাবে আন কি বিকল্প ব্যৱস্থা দিব পৰা যায় সেই বিষয়ে আমি চিন্তা কৰিব লাগে। আৰু এই গোটেই বিষয়টো চালি জাৰি চাব কাৰণে তথা ৰাজ্যৰ বনাঞ্চল ৰক্ষা কৰা আৰু এই দুখীয়া লোকসকলৰ জীৱিকাৰ উপায় দিয়াৰ কাৰণে আমি এটা কম্পজিট প্লেন কৰিব লাগিব যাৰ দ্বাৰা এই লোকসকল উপকৃত হব।

মাননীয় অধ্যক্ষ : এতিয়া মুখ্যমন্ত্ৰীয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চলৰ সমস্যাৰ বিষয়ে কবলৈ হলে বহু কথাই কব লাগিব। এই গোটেই সমস্যাটো চালি-জাৰি চাবৰ কাৰণে চৰকাৰে এখন এজনীয়া তদন্ত আয়োগ গঠন কৰি দিছে। কিছুমান বনাঞ্চল আচলতে নামতহে আছে তাত গছ নায়েই আনহাতে কিছুমান বনাঞ্চলত গছ আছে কিন্তু তাত বিৰাট বে-দখল চলিছে। গতিকে দাবি কৰিলেই আজিয়েই ইয়াতে চৰকাৰে এটা সিদ্ধান্ত লব নোৱাৰে। ই এটা দীৰ্ঘদিনীয়া সমস্যা। গতিকেই আয়োগ গঠন কৰি দিয়া হৈছে। আয়োগৰ প্ৰতিবেদন পালেই ইয়াৰ ওপৰত বাস্তৱ সিদ্ধান্ত লব পৰা হব।

শ্ৰীফনীৰাম টায়েং : মাননীয় অধ্যক্ষ মহোদয়, মই জানো আগৰ কংগ্ৰেছ চৰকাৰে এচাম লোকক বনাঞ্চল বে-দখল কৰিবৰ কাৰণে উচটনি দিছিল আৰু কৈছিল যে তহতে বে-দখল কৰি থাক আমি তহতৰ লগত আছো! এইচাম নেতাই এতিয়াও

বন বিষয়াৰ লগত গোপন সম্পৰ্ক ৰাখি এই লোকসকলৰ লগত হাত উজান দিছে। আৰু এই বনাঞ্চল বে-দখল কৰাৰ মাজত টকা-পইচাৰো কাৰবাৰ চলি আছে বন বিষয়া আৰু আগৰ চৰকাৰৰ দালালৰ মাজত। এই কথাটো মই জানো কাৰণে এই সদনত উল্লেখ কৰিলো।

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে তদন্ত আয়োগ গঠন কৰা বুলি মুখ্যমন্ত্ৰীয়ে কৈছে।

## MISCELLANEOUS

Shri Altaf Hussain Majumdar : Sir, I want to draw the attention of the hon. Mr, Speaker to a very important point. Normally the Speaker of the House is the guardian of it who is to protect the rights and privileges of the members and will not allow any curtailment of their rights. Yesterday we pointed out that as many as 900 question were sent to the Govt. sufficiently ahead of the time but even today we could not consume half of the time allotted for question Hour. We are in a confusion if the officials are not co-operating with the Ministers. For perfect functioning of the democratic principles Question Hour is the most important period of time of the House where effectively the members of the House can function. I would like to request the hon. Ministers to do a little home work for sucessful utilisation of the Question Hour.

Shri Charan Narzary : The hon. members have specific objectives to put a question — but when the questions do not come even after lapse of a considerable time, it invites an apprehension that whether the officials are co-operating with the Ministers. Sir, at the beginning of the session we cannot consume time of the Question Hour for want of sufficient

number of Questions while at the end of the session bunch of questions is stitched together which go unattended. This matter should be taken up very seriously and a remedy should be found out.

শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে কেতবোৰ পূৰ্ব্ব চৰকাৰৰ বহুতীয়া বিষয়াই পূৰ্ব্ব চৰকাৰৰ বেয়া কামবোৰ ঢাকি ৰখাৰ প্ৰয়াস কৰিছে। কিয়নো আমি পূৰ্ব্ব চৰকাৰৰ কিছুমান দুনীতিৰ বিষয়ে ভালেমান প্ৰশ্ন তুলিছো আৰু যাৰ মাজত এই বিষয়া সকলো জড়িত আছে। সেয়ে তেওঁলোকে এতিয়া আমাৰ প্ৰশ্নবোৰৰ উত্তৰ যাতে সময় মতে সদনলৈ আহিব নোৱাৰে তাৰ কাৰণে গাফিলতি কৰিছে। যিহেতু এই বিষয়া সকলৰ এচাম দুৰ্নীতিত লিপ্ত হৈ আছে। আৰু এতিয়া তেওঁলোকেই এই প্ৰশ্নবোৰৰ উত্তৰ দিব লগীয়া হৈছে, গতিকেই এই অৱস্থাৰ সৃষ্টি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত এই মন্তব্য ৰাখিব খুজিছো যে আমি প্ৰত্যেকদিনেই কমেও দহোটা প্ৰশ্ন এই সদনত আলোচনা কৰিবলৈ পাব লাগিব। বহুতো বিষয়াৰ দুৰ্নীতি আৰু ষড়যন্ত্ৰৰ কথাও এই প্ৰশ্নবোৰৰ মাজত সোমাই আছে সেয়ে তেওঁলোকে উত্তৰ পঠোৱাত হেমাহি কৰিছে। আৰু সেই বেয়া কথাবোৰ ঢাকি ৰাখিবৰ কাৰণে অপচেষ্টা কৰিছে। ইয়াৰ দ্বাৰা সদনৰ মৰ্য্যাদা হানি কৰিবলৈ বিচৰা হৈছে, তেনেবোৰ বিষয়াক বিচাৰি উলিয়াই তেওঁলোকৰ ওপৰত চৰকাৰে যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মাৰ লগত একমত।

Shri Golok Rajbangshi : Sir, directly we cannot blame the officers here in the House as they are not responsible to the House. It is the Ministers who are responsible to the House and therefore, we are to make them responsible.

শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাখিনি ভুল বুজা হৈছে। মই পূৰ্ব্বৰ চৰকাৰৰ আসোঁৱাহ যুক্ত কাৰ্য্যত লিপ্ত থকা বিষয়া সকলৰ কথাহে কৈছো। সকলো বিষয়াৰ কথা কোৱা নাই। আৰু সেই সকলৰ ওপৰতহে ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কৈছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চৰকাৰৰ মাননীয় মন্ত্ৰী সকলক অনুৰোধ কৰিছো আৰু তেখেঁত সকলে বিভাগীয় ব্যৱস্থা লব যাতে সোনকালে ইয়াৰ উত্তৰ সদনত দিব পাৰে।

মাননীয় অধ্যক্ষ ঃ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে আৰু আশা কৰিছো যে, সংসদীয় ব্যৱস্থাত সদনৰ সদস্য সকলে যি প্ৰশ্ন দিয়ে ইয়াৰ প্ৰতি চৰকাৰে নিশ্চয় দৃষ্টি-পাত ৰাখিব। আৰু যোৱা কালি আমি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে উত্তৰ বিলাক সদনত ঠিক সময়ত দিয়ে। আৰু এই বিষয়ে সঠিক কি ব্যৱস্থা লব পাৰে এই বিষয়ে 'ৰোল কমিটিত' আলোচনা কৰা হৈছে।

## General Discussion on the Budget

Shri Sarat Chandra Sinha : Mr. Speaker Sir, the time that has been allotted to us is very much limited. Within this limited time it is very difficult for one to do justice with general discussion of the Budget. But I have heard many Members speaking on the Budget. Therefore I would only want to refer to some of them and refrain from having a general discussion on the Budget. On the other hand, I want to select one or two items and then speak on them; because the time is very limited. I have heard Hon'ble Member, Shri A.M.Majumdar on the Budget. He has dealt with various aspects of the Budget in a very constructive manner. I fully support his views, and then I want to discuss, if not a few items, at least one item, i.e. implementation of the Assam Accord. If time permits, I want to discuss then law and order situation. Law and order situation has not been mentioned in the Budget. There has not been any mention as to what steps should be

taken - how the steps would be taken. So far as Accord is concerned, there is only one sentence. We had experienced agitations for last six years and at the end Govt. of India have given this Accord. This Accord has brought Govt. into power. Therefore, this Accord, which has brought Govt. to power should have been discussed in details, particularly, we are all interested to know how it will be implemented. Though nothing has been said, sometimes silence is maintained. Therefore, as a matter of fact, it whould be eloquently said how the Accord will be implemented.

Now, the Chief Minister has said in this Budget speech, which the Hon'ble Member Shri Mazumdar also mentioned, that this Govt. is the Government of the people and it will work for people irrespective of caste, creed and relegion. So, this indicates clearly what the Govt. is the Govt. is of the people and Govt. will work for the people. And, while working for the people, Govt. will not discriminate one section from the other because of caste, because of creed and because of political ideas. Yesterday, Shri Mazumdar had said 'when the Govt. has promised to work for all sections of the people', now another Section should be added to it - the Political Section. There should not be any discrimination of the political views, because in this democratic country, we have right to have different views from other - different from the ruling party. There should not be any atrocities on the Members of the political parties. I am very much depressed to refer that because

yesterday a few youths of Congress (I) were assaulted at Basistha Charali. This is not the only incident. List of such assaults and humiliation have been submitted to the Chief Minister. Chief Minister has rightly said that there should not be any discrimination because of the creed and then there should not be any discrimination on the language, there should not be any discrimination from one section of the people from other because of the religion. This indicates how the Govt. should be. Govt. now want to implement the Accord. This also he said in the second sentence that "we shall strive hard for all round development of Assam and for the promotion of peace and unity among all sections of the people. Excellent. This is what want of the Govt. This is what we want from Chief Minister. This has given clear indication of the Govt. that the Govt. want to function for the people, Govt. want to implement the Accord. Now, along with it I also would read out Chief Minister's statement in this connection published in the newspaper in the shape of advertisement (in Dainik Asom of 15th Feb, '86)"

অসম বাসীৰ প্ৰতি গোহাৰি।

"যুগ যুগ ধৰি আমি সমগ্ৰ অসমবাসীয়ে একেডাল ডোলেৰে একগোট হৈ আমাৰ ঐক্য, সংস্কৃতি আৰু ঐতিহ্য অক্ষুন্ন ৰাখি আহিছো। ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাৰ জলবায়ুৰে পৰিপুষ্ঠ জাতি, উপজাতি পাহাৰ, ভৈয়াম, ভাষা, ধৰ্ম্ম, থলুৱা অসমীয়া, ন-অসমীয়া, অনা অসমীয়া চাহ বনুৱা, জনজাতি যিসকলে এই পবিত্ৰ অসমত জন্ম গ্ৰহন কৰি অসম আইক মাতৃ বুলি আকোঁৱালি লৈছে, সেই সকলোৰে অসমত সমান অধিকাৰ।

আকৌ এবাৰ সকলোৱে ভেডাভেদ তুচ্ছ কৰি, বিভেদ সৃষ্টিকাৰীক নিৰ্ম্মুল কৰি শোষণ মুক্ত সুন্দৰ প্ৰগতি মুখৰ অসম গঢ়াৰ পথত নতুন পদক্ষেপ পেলাই ভাৰত মাতৃৰ মুখ উজ্বল কৰাৰ সময় হল। ”

It is not a statement of the Press Note from the Hon'ble Member Shri Prafulla Kumar Mahanta. This is a declaration of the Chief Minister—the Hon'ble Member Shri P. K. Mahanta. He has rightly made this reference to the Budget, also published in the paper. I sincerely congratulate him for his bold deliberation of the strength of the Govt. Now on the basis of this strength, we now want to examine how the Accord will be implemented, what is the Accord ? Accord can be broadly divided into three classes - (i) political and emotional (ii) administration and (iii) economical purposes. I do not like to deal administration and economic development. I want to deal political and emotional aspects of the Accord. This political and emotional aspect can be divided into two groups one is the main issue of Expulsion of Foreigners and the other the matter pertaining to that Expulsion.

Now, what is the main issue ? The main issue of the movement or the main issue is that the foreigners should be driven out. There are some disputes about expulsion and deportation. That is why I am using the words 'driving out'. Now who are foreigners ? That question was raised once and that has been misunderstood. But this has been finally replied by the Accord who are foreigners. In the Accord subject to sub-clauses 3,4 and 6 of Clause 5, those who came to Assam till 24th March, 1971 are Indian nationals. They

cannot be driven out according to the Accord. I said subject to sub-clauses 3,4 and 6 of Clause 5 24th March, 1971 is the date line for determination of the foreigners. Those who came till that date are to be treated as Indian nationals. The Accord does not empower you to drive them out. There has been a kind of misapprehension whenever the question of implementation of the Accord arises ; then this misapprehension works and there is a lot of confusion. I will appeal to the Government to clear it. Implementation of the Accord will be easy, it will be welcome by all sections of the people. Let therefore, be an attempt on the part of the Government to do away with this or remove the confusion or misconception that may be there. For the determination of the foreigners 1971, 24th March is the cut off line. Those who came after that date will be deported. As a matter of fact, the main issue, that is, deportation of the foreigners is not there. Because agitation with 1951, that is to say, between 1951 and 1971 those who came they were suspected to be foreigners. As a matter of fact agitation was to drive them out who came between 1951 and 1971. But all those who came in 1971 till March, 1971 are Indian nationals subject to sub-clause 3, 4 and 6 of Clause 5. These 3 sub-clauses deal with another category of persons who came to Assam between 1.1.66 and 24.3.71 both days inclusive. Now in the Accord they have said foreigners and these people will be first detected, their names will be deleted from the electoral rolls, and they will remain as such for 10 years. After 10 years from the date of detection they will be restor-

ed as citizens of the country. Now this group of people whom the Accord has termed as foreigners have been treated at par with other citizens. Their names are there in the electoral rolls and they have voted in the last election and voted this Government to power. Now if we want to detect them, delete their names from the electoral rolls and keep them as foreigners for 10 years and after which we put them in the electoral rolls and take them as citizens what useful purpose will be served by this fruitless exercise and fruitless operation, The Chief Minister has said that we want unity, we want mutual understanding among different sections of the people. On this broad principle they have been termed as foreigners in the Accord. But ultimately they will be treated as citizens, as potential citizens, if I may use the language of the Accord. When they will remain in the country with all rights should we create a bitterness, a fear psychosis ? Fear psychosis is not good. When these people will be there a constant fear psychosis will cause misunderstanding, it will affect the peace because a class of people will remain always in fear. I would, therefore, request the Government to reconsider this question, the sub-clauses 3,4 and 6 of Clause 5 of the Accord. Because it is an unnecessary exercise. When we are getting them as citizens let they be good citizens. They have their nam.s in the electoral rolls and they have voted in the last election and we are voted to power with these foreigners' votes. So we must remove the discripancy, we must remove the fear phychosis. When they are citizens let

them become good citizens, let us have understanding and let them have peace.

Sir, there has been some kind of impression that the government has already started implementation of the Accord by effecting evictions, but I have a doubt about this because the government has till now not taken any positive step in this direction as far as I see. All these evictions might be the follow up action taken by some government officials - Congress (1) Members here will bear with me - as per the decisions of the government earlier. It happened in earlier times also when some ever-zealous officers had made eviction operations. So this time, when there is an Accord and the Chief Minister has announced that the Accord will be implemented, so these ever-zealous officers might have done this. I would request the Chief Minister to consider this matter also. Now with regard to this eviction, Shri Narzary has raised that question, and to-day the Hon. Opposition Leader has also raised the same thing. Where is the eviction clause in the Accord incerperated ? It is only to drive out the fereigners and not to drive out the indigenous local people or the tribal people, but only to drive out the foreigners because there has been a suspicion that government khas land and other lands have been encroached upon by the foreigners. That impression we had in our mind and an eviction clause was incerperated in the Accord.

Now so far as the main issue of foreigners is concerned, 1971 is accepted as the cut off year, but before

we do something so that we may not discriminate one against the other because of language or religion. We must examine this question thoroughly. It is not the intention of the government that the people will be evicted from one forest reserve and will be allowed to encroach upon the other, as Hon. Member, Shri Rajbanshi has said. These tribal people who have been evicted from the Bogajeli forest reserve, were uprooted earlier in 1979 from the Doiang Reserve on the Assam Nagaland border - larger number of them were killed by the Nagas there and because of the incident they migrated there, and who ever might have been there in the government at that time, they did not take care to properly rehabilitate them, and therefore they went to that reserve forest. Now they have been evicted from there-rightly they have been evicted because they cannot encroach upon forest reserve, but then where will they go if alternative arrangment is not made ? They will certainly go to another forest and encroach there or will encroach upon some govt. khas land or encroach upon some land in tribal belt, because these people live on land, they are 'matijibi' 'mati' is their 'jibika'. They cannot stay without land. Forest officials might have perform, government may perform, their duty by evicting people, the landless people they can perform their duties, but the Government as a whole has a duty to rehabilitate these people uprooted by providing them land, and we cannot absolve ourselves of that responsibility also. The Government whoever may be there in it, must provide land to these people. In this case, we shall have to

think with a little depth, before evicting these sort of people. without making any alternative arrangment. Eviction is not the remedy, is not the solution of the problem. Evicition here has been a continuing process ; earlier government had also evicted people. Had the earlier governments been able to clear out the encroachers ? So many evictions were there in the tribal belts and government land, but then the number of encroachments is on the increase only and is not decreasing, inspite of all these eviction operations. So we should try to solve the problem by making alternative arrangment for them.

I am very much pleased to here the Chief Minister. I congratulate him for his announcement that he has constituted a Committee which will throughly go into the question. He has rightly said that. There are forests where there are no trees, only human beings, and human beings are not trees. A forest cannot be made with human beings, but that is there. Therefore, we have to examine this question and find out the solution and find out solution particularly, handling of the eviction issue by government officials. We would again repeat that Government should clarify its decision and remove any doubt or suspicion about detection, and expulsion or driving out, whatever term you may use, of the fereigners. Foreigners can be divided into two clases, namely (1) Pre-1971 people - so far as they are concerned, I have already said. they are Indian nationals ; they are not foreigners and there is no question of expulsion of them or driving out of them, that is

those who came to Assam in pre-1971 period. This is clear as it has been embodied in the Assam Accord, and this should be clearly explained to the people that the pre-1971 people are Indian nationals and they will not be deported so that the fear psychosis and suspicion to and peace of mind is effected among these people. I will also ask to the group of persons who are suspected to be foreigners to be very clear that this Accord has given them a kind of certainty. Had there not been any Accord there would have been uncertainty. What is the uncertainty? Everybody was suspected to be a foreigner because there is no decision. So this Accord set that thing at rest, that those who came to Assam before 25th March,1971 are all Indian nationals as this is the decision of the Accord. That should be clearly and in a distinct language known to the people so that there is on misunderstanding, misunderstanding on both sides and that can create trouble and we should avoid trouble: Post 1971 foreigners will be taken care of by the Assam Illegal Migration (Determination by Tribunal) Act and so far as that Act is concerned this Government is not responsible, because it has been done, this Act came into force before they came into power. So if this matter is made absolutely clear to the people, I think some of the apprehension that looms large in the minds of the people will be removed and the justification of this statement and for the peace and tranquility that is necessary for the prosperity of the State will be as to achieve. Sir, only one more point. People often ask me how this Gover-

nment is functioning. Very often I am to reply here and there. I say how do you like when your child starts or your child learns to talk ? How do you like ? You like it - very pleasant. Sometimes the words uttered by the child is meaningless but it is very sweet. But I don't compare this Government to a child learning to talk. This Government is youthful and we expect many things and we expect every thing will be good and better for the prosperity of the State. Thank you.

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই ১৯৮৬-৮৭ চনৰ বাবে যিখন বাজেট উত্থাপন কৰিছে সেই বাজেটখনৰ জৰিয়তে অসমৰ সকলো ৰাইজৰ বাবে এখন মঙ্গলজনক বাজেট ডাঙি ধৰাৰ কাৰণে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেট খনৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ ৰাইজলৈ যি প্ৰতিশ্ৰুতি কঢ়িয়াই অনাৰ কাৰণে বক্তব্য ৰাখিছে সেইটো সচাকৈয়ে প্ৰসংশনীয়। এই বাজেট খনত সবাতোকৈ উল্লেখযোগ্য কথা হল যে ই অসমৰ আৰ্থ সামাজিক বিষয়ত সমগ্ৰ দেশখনৰে উন্নয়নৰ কথা ইয়াত উল্লেখ কৰা হৈছে। কোনো ধৰণৰ কৰ নলগোৱাকৈ, দুখীয়া জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিয়াৰ পৰিবৰ্ত্তে চৰকাৰে ঋণৰ বোজা কঢ়িয়াই হলেও অসমৰ আৰ্থ সামাজিক দিশত উন্নয়নৰ যি প্ৰতিশ্ৰুতি ডাঙি ধৰিছে তাৰ বাবেও মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শলাগ লৈছো। বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্যই এই বাজেটখনত অসমৰ আটাইবোৰ সমস্যাকে সামৰি লব পৰা নাই বুলি উল্লেখ কৰিছে। মই জনাত যেতিয়া এখন বাজেট উত্থাপন কৰা হয় তেতিয়া চৰকাৰে পাৰ্য্যমানে আটাইবোৰ দিশ্‌কে সামৰি লবলৈ যত্ন কৰে। কিন্তু এইটো নহয় যে যিবোৰ বিষয় উল্লেখ কৰা হোৱা নাই সেইবোৰ বিষয়ত যে চৰকাৰে গুৰুত্ব আৰোপ নকৰিব।

ইয়াৰোপৰি আন এটা উল্লেখযোগ্য কথা হল যে আমাৰ জাতিটো জীয়াই ৰাখিবলৈ জাতিটোৰ কলা-কৃষ্টি, সংস্কৃতি, ঐতিহ্য আদি আমি ৰক্ষা কৰিব লাগিব। জাতি গঠনৰ ক্ষেত্ৰত এইটোৰ দিশলৈ আগৰ কোনো চৰকাৰে কেতিয়াও

চকু কান দিয়া আমাৰ পৰিলক্ষিত হোৱা নাই। কিন্তু এই চৰকাৰৰ বাজেট বক্তৃতাত আমাৰ জাতিটো জীয়াই ৰাখিবলৈ যি কেইটা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। কলা-সংস্কৃতিৰ লগে লগে খেলা-ধুলাৰ প্ৰতিও এই চৰকাৰে যি ধৰণে গুৰুত্ব আৰোপ কৰিছে সেই ক্ষেত্ৰতো আমি নথৈ আনন্দিত হৈছো। আজি অসমৰ পৰাই এগৰাকী খ্যাতি সম্পনা গাভৰুৱে টেবুল টেনিচ খেলি বিশ্বত সুখ্যাতি লাভ কৰিছে। সেইদৰে যদি আমি অন্যান্য খেল-ধেমালিবোৰতো নগৰ অঞ্চলৰ লগতে পিচপৰা অঞ্চলবোৰতো গুৰুত্ব আৰোপ কৰো তেনেহলে নিশ্চয় অসমৰ লৰা-ছোৱালীয়ে ভৱিষ্যতে আৰু সুখ্যাতি অৰ্জ্জন কৰিব পাৰিব।

ইয়াৰ বাহিৰেও বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত এই চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। আমাৰ আগৰ চৰকাৰে বন্য প্ৰাণী সংৰক্ষণৰ নামত কেইবাটাও বিভাগ খুলিছিল যদিও তাৰ পৰা আমাৰ প্ৰকৃত লাভ হৈছিল বুলি কব নোৱাৰি। কিয়নো বহুতো দুস্কৃতিকাৰীৰ হাতত অসমৰ জীৱ-জন্তু ধ্বংস কৰাৰ উপৰিও কিছু-মান মানুহৰ বা দেশৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে অসমৰ পৰা কেইবাটাও অতি মূল্যবান গড় বাহিৰলৈ পঠোৱা হয়। এই কাৰ্য্য যদি তেনে ধৰণেই চলি থাকিব দিয়া হয় তেনেহলে অসমৰ যিটো আপুৰুগীয়া জীৱ সেইটো অতি সোনকালে নাইকিয়া হব। সেই কাৰণে নতুন চৰকাৰে এই জীৱ-জন্তুবোৰ সংৰক্ষন কৰাত যি ধৰণে ব্যৱস্থা লবলৈ আগ বাঢ়িছে সেইটো অতি উত্তম ব্যৱস্থা হৈছে বুলি মই ভাবো।

নিবনুৱা সমস্যাৰ বিষয়ে কবলৈ গৈ এটা কথা কব বিচাৰিছো যে নিব-নুৱা সমস্যাই আজি অসমৰ কাৰণে এক ভয়াবহ সমস্যা ৰূপে দেখা দিছে। এই নিবনুৱা সমস্যাৰ প্ৰতি যদি চৰকাৰে যথাযথ ভাবে মনোযোগ নিদিয়ে তেনেহলে অসমৰ সমস্যা কোনো দিনেই শেষ নহব।

আমি কিছুমান এম্পলয়মেণ্ট অৰিয়েণ্টেড প্ৰগ্ৰেম লৈ উদ্যোগৰ মাধ্যমত যদি উদ্যোগৰ দিশত উন্নয়ণ কৰাৰ লগতে নিবনুৱা সমস্যাৰ উন্নয়ণ হয়, তেনে-কুৱা ধৰণৰ ব্যৱস্থা যদি কৰিব পৰা যায় তেতিয়াহলে অসমখনৰ নিবনুৱা সমস্যাৰ উন্নয়ণৰ লগে লগে উদ্যোগ আৰু অৰ্থনৈতিক দিশত অসমখন আৰু বেছি অগ্ৰসৰ হব বুলি মই কব পাৰো। মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাত এই কথাটো সুন্দৰ ভাবে

ফুটি ওলাইছে। অসমত বৃহত উদ্যোগ গঢ়ি উঠিব নোৱাৰে, ভৌগোলিক কাৰণ দেখুৱাই আজিলৈকে কেন্দ্ৰীয় চৰকাৰে আৰু আগৰ চৰকাৰ বিলাকে অসমীয়া মানুহক অৱহেলা কৰি আহিছে। এই বাজেট বক্তৃতাত এই কথাটো স্পষ্টকৈ ওলাই পৰিছে যে অসমীয়া জনসাধাৰণ বা অসমীয়া শিক্ষিত, অশিক্ষিত নিবনুৱা সমস্যা সমাধানৰ অৰ্থে ক্ষুদ্ৰ উদ্যোগ-য'ত কম পইচা খৰচ কৰিব পাৰি আৰু য'ত বেছি নিয়োগৰ সুবিধা হব তেমেকুৱা ধৰণৰ এম্পলয়মেণ্ট অৰিয়েন্টেড্ প্ৰগ্ৰেমৰ ব্যৱস্থা আজি বাজেট বক্তৃতাত পোৱা হৈছে। অসমৰ আৰ্থ সামাজিক দিশৰ ক্ষেত্ৰত আজি কেপিটেল ইন্টেনচিভ্ ইণ্ডাষ্ট্ৰিৰ বিপৰীতে লেবাৰ ইনটেনচিভ টেকনিক্ ইণ্ডাষ্ট্ৰিত খৰচ কৰিছে নিবনুৱা সমস্যা সমাধান আৰু উদ্যোগৰ ক্ষেত্ৰত অসমখন আগবাঢ়ি যাব পাৰিব। উল্লেখযোগ্য যে এই নতুন চৰকাৰখনৰ দুমাহৰ ভিতৰত মাননীয় শ্ৰমমন্ত্ৰী ডাঙৰীয়াই নিয়োগ বিভাগত ইতিমধ্যে তিনিটা উদ্যোগীক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছে, তাৰ বাবে ধন্যবাদ জনাইছো। এই তিনিটা কেন্দ্ৰ অতি সোনকালে হব বুলি আশা ৰাখিছো। লগতে এই এক্টখনৰ সংশোধনৰ ব্যৱস্থা লৈছে যাতে শিক্ষিত অশিক্ষিত সকলোৱে নিয়োগৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সুবিধা পায়, তাৰ বাবে শ্ৰমমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এইটো শুভ লক্ষণ বুলি কৈছো। আজি অসমত যি ভয়াবহ নিবনুৱা সমস্যাই দেখা দিছে এই নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে লেবাৰ ইনটেনচিভ ট্ৰেকনিক্ৰ জৰিয়তে অসমৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাযায় তেতিয়া-হলে কেপিটেল ইনটেনচিভ প্ৰগ্ৰেমৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আগুৱাই যাব পৰা নহব।

কৃষিৰ ক্ষেত্ৰত বিগত দিন বিলাকত অসমত কৃষি ব্যৱস্থা কিমান বেয়া আৰু অসমৰ কৃষি ব্যৱস্থাক আগুৱাই নিয়াৰ কাৰণে যিথিনি কৰা হৈছে ই সচাঁকৈ লাজ লগা কথা হৈছে। বেছিকৈ বৰষুণ হলে বানপানী হয় আৰু কম বৰষুণ হলে খৰাং বতৰ হয়। তাৰ ফলত খেতি মৰি যায়। কৃষিৰ ক্ষেত্ৰত আমোল পৰিবৰ্ত্তন অনাৰ বাবে স্বাধীনতাৰ এই ৩৮ বছৰৰ পিছত চৰকাৰবিলাক সমৰ্থ হব নোৱাৰাটো লজ্জাজনক কথা হৈছে। যি দেশত শতকৰা ৮০ ভাগ মানুহ খেতিয়ক আৰু দেশৰ অৰ্থনৈতিক ভেটি কৃষিৰ ওপৰত নিৰ্ভৰশীল। যিখন দেশত শতকৰা ৮০ ভাগ মানুহে খেতি কৰে সেইখন দেশত কৃষিৰ আমোল পৰিবৰ্ত্তন

বিগত ৩৮ বছৰত নহল, ই লজ্জাজনক কথা হৈছে। যিসকল ৰাজনৈতিক নেতাই ইমান দিনে শাসনৰ বাঘজৰী ধৰি আছিল, সেইসকলৰ দুৰ্ব্বলতাত আৰু অবহেলা কৰি এনে অৱস্থা কৰিলে, এই কথা আজি সদনৰ মজিয়াত উত্থাপন কৰিলো। সদনৰ মজিয়াত আজি নতুন বাজেটত এইটো কথা কোৱা হৈছে যে কৃষক ৰাইজৰ উন্নতিৰ যি কথা কৈছে তাৰ বাবে শলাগিছো আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো যে বাজেট উত্থাপন হোৱাৰ পিচৰ পৰা কুৰিদফীয়া আঁচনিৰ ওপৰত নানা সমালোচনা হৈছে। কুৰি দফীয়া আঁচনিক সামৰি লোৱা নাই, গুৰুত্ব দিয়া হোৱা নাই, এইটো কথাত একমত নহয়। বাজেট বক্তৃতাত এন, আৰ, ই, পি, আৰ, এল, ই, জি, পি বা অন্যান্য সংস্থাৰ কথা কৈছে। উন্নয়নমূলক যিখিনি কথা কৈছে সেইখিনি কুৰিদফীয়া আচনিৰ বস্তু বাহিৰৰ বস্তু নহয়। এই কুৰিদফীয়া শব্দটো লগাই দিয়া নহল তাৰ বাবে কুৰি দফীয়া আচনিক অৱহেলা কৰা বুলি বাজেট বিতৰ্কত কোৱা হৈছে, ই সম্পূৰ্ণৰূপে ভিত্তিহীন কথা বুলি সদনৰ মজিয়াত উত্থাপন কৰিছো। কুৰি দফীয়া আচনিৰ নামত বিগত দিনবিলাকত যিখিনি ভণ্ডামী চলিল, ৰাইজক প্ৰতাৰণা কৰা হল, ৰাইজক মিছা কথা কোৱা হল আৰু লাখ লাখ কোটি কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা চেংচন আনি আত্মসাত্‌ৰ ব্যৱস্থা কৰিলে তেনেকুৱা কুৰিদফীয়া আচনি শব্দটো উচ্চাৰণ নকৰি মঙ্গলমূলক আচনিৰ জৰিয়তে ৰাইজৰ উন্নয়ন কৰাত গুৰুত্ব দিব লাগিব। কুৰি দফীয়া আচনি বুলি জাহিৰ কৰি ৰাস্তাত চাইন বোৰ্ডত পোষ্টাৰ দিয়া হল বাস্তৱত ৰূপায়িত কৰক, কিন্তু বাস্তৱত ৰূপায়িত হলনে নাই সেই কথাৰ ওপৰত বেছি গুৰুত্ব দিয়া উচিত আছিল। বিগত চৰকাৰৰ দিনত এই কথাটোত গুৰুত্ব দিয়া নহল। এই কথাটোত গুৰুত্ব নিদি কুৰিদফীয়া আচনিত ৰাজনীতি কৰা হল। কুৰি দফীয়া আচনিৰ একমাত্ৰ উদ্দেশ্য আছিল দুখীয়া ভাৰতৰ জন-সাধাৰণৰ সামগ্ৰিক উন্নয়ণৰ দিশত আগুৱাই লৈ যোৱাটো - সেই কথাটোত গুৰুত্ব দিয়া নহল আৰু বাস্তৱত ৰূপ দিয়া নহল। দুখীয়া ৰাইজৰ উন্নয়ণৰ কাৰণে যিখিনি কথা আছে সেইখিনি হৈ নুঠিল। এই বাজেটত এটা সম্পূৰ্ণ নতুন কথা দিছে আৰু সেইটো হল যিখিনি সম্পদ অসমৰ বাহিৰলৈ যায় সেই সম্পদখিনিৰ ওপৰত টেক্স নাপায়। ফলস্বৰূপে বছৰি বহু কোটি টকা লোকচান কৰি আছে। মুখ্য

মন্ত্ৰীৰ বাজেটত এইটো কথা সুন্দৰ ভাৱে কোৱা হৈছে যে ষ্টক ট্ৰেন্সফাৰৰ ক্ষেত্ৰত যিটো টেক্স লব লাগিছিল সেই কনচাইনমেণ্ট টেক্স যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব পাৰো তেতিয়াহলে প্ৰতি বছৰে এটা এষ্টিমেট কৰি চাইছো ৩৬ কোটি টকা আহে। মুখ্যমন্ত্ৰীক ধন্যবাদ দিছো যে কনচাইনমেণ্ট টেক্সৰ কাৰণে বাজেটত বিজলিচন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া হৈছে। ফলস্বৰূপে এডিচনেল ৩৬ কোটি টকা বেছিকৈ ৰাজহ অসমলৈ আহিব। ক্ৰুড্ অইলৰ ক্ষেত্ৰত ৬১ টকাৰপৰা ৩৩৬ টকালৈ বঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনোৱা হৈছে। ইয়াৰ পৰা আমি বছৰি ২৩৬ কোটি টকাৰ পৰা বঞ্চিত হৈ আছো। গতিকে কেন্দ্ৰীয় চৰকাৰক দাবী জনোৱা হৈছে যাতে এই ২৩৬ কোটি টকা দিব পাৰে। ফৰেষ্টৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে গছ গছনি আৰু মানুহৰ মাজত এটা সম্পৰ্ক আছে। কাৰ্বন ডায়অক্সাইড গছে গ্ৰহণ কৰে আৰু আমি অক্সিজেন গ্ৰহণ কৰো। গতিকে গছ আৰু মানুহৰ মাজত এটা ওতঃপ্ৰোত সম্পৰ্ক আছে। বৈজ্ঞানিকসকলে কৈছে যে মানুহ বাচি থাকিবলৈ হলে ৩৩.৩ ভাগ গছ গছনি থাকিব লাগে। আগতে কাৰোবাৰ স্বাৰ্থত ৬৪ টা প্লাইউডক পামিচন দিছে। তাৰ ফলস্বৰূপে ৩৩.৩ ভাগ কাঠ থকাৰ যি বৈজ্ঞানিক যুক্তি আছিল তাতোকৈ কাঠ কমি আহিছে। কেবা-জনো মাননীয় সদস্যই প্ৰশ্ন উত্থাপন কৰিছে যে কাঠ কটা বন্ধ কৰাৰ ফলত ৬৪ টা প্লাইউড মিল উঠি যাবলৈ লৈছে। মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো ৬৪ টা মিললৈ নাচাই জংঘললৈ চাইছে। উচ্ছেদৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো দুখীয়া মানুহক মাটিৰ পৰা ঘৰ ভাঙি যদি বঞ্চিত কৰা হয় তেন্তে বেয়া পাও, মানবতাৰ খাতিৰত এইটো অস্বীকাৰ কৰা নাই। কিন্তু যিখিনি চৰকাৰী মাটিত ৰিজাৰ্ভ লেণ্ডত, ভি জি, আৰ, পি, জি, আৰ আদিত লাখ লাখ মানুহে সংস্থানৰ ব্যৱস্থা কৰিছে তাত পুনৰ সংস্থাপনত যদি চৰকাৰে উত্সাহিত কৰে তেতিয়াহলে এদিন অসমৰ সকলো ভি, জি, আৰ, পি, জি, আৰ, পি, ডব্লিউ, ডি ৰাস্তা, ৰেল লাইন, জংঘলত মানুহ বহি পৰিব। উচ্ছেদৰ ক্ষেত্ৰত স্বনামধন্য বিৰোধী পক্ষৰ সদস্য কিছুৱে উত্থাপন কৰিছে। অসম চুক্তিত আইনমতে বসবাস কৰা আৰু বেআইনী ভাবে বসবাস কৰা কথাটো ইনক্লুড কৰা আছে। মোৰ এটা ধাৰণা যিসকল মাননীয় বিৰোধী পক্ষৰ সদস্যই উচ্ছেদ সম্পৰ্কত ডাঙৰ ডাঙৰ বক্তৃতা দিছে, তেখেত সকলে বিগত দিনত ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিতভাৱে সেই মানুহখিনিক আনি

বহুৱাইছিল। ৰেলৰে,' ভি, জি, আৰ আৰু পি, ডব্লিউদি আদিত যি খিনি মানুহ আনি ভোটৰ আশাত তেওঁলোকে বহুৱাইছিল এতিয়া সেই কমিটমেণ্ট ভঙ্গ হব বুলি ভয় কৰা যেন ধাৰনা হৈছে। এই বিষয়ত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছোঁ। আইনগত ভাৱে যিখিনি মানুহ আহি বসবাস কৰিছে সেই সকলৰ ওপৰত হাত দিলে আমিয়েই তাৰ তীব্ৰ বিৰোধিতা কৰিম। কিন্তু বে-আইনী ভাৱে যিখিনি মানুহ ইয়াত বসবাস কৰি আছে সেই খিনিৰ ওপৰত ব্যৱস্থা নললেও আমি তাৰ তীব্ৰ বিৰোধিতা কৰিম। সেই ওপৰোক্ত ব্যৱস্থাটো প্ৰশংসনীয় বুলি বিবেচনা কৰিছোঁ। এই বাজেটখনত অসমৰ সমগ্ৰ ৰাইজৰ বাবে প্ৰশংসনীয় ব্যৱস্থা হৈছে।

শিক্ষাৰ ক্ষেত্ৰত ইউনিফৰ্মৰ কথা কোৱা হৈছে। কালি কোনোবা মাননীয় সদস্যই ইয়াৰ বিৰোধিতা কৰাও দেখিছোঁ, কিন্তু এই ক্ষেত্ৰত মই নিজেই গাৱঁৰ লৰা হিচাবে দেখিছোঁ যে গাৱঁৰ কোনোবা এজন দুখীয়া মানুহক যদি সোধা হয় আজি লৰাটো কিয় স্কুললৈ যোৱা নাই? তাৰ উত্তৰ হব যে 'দেউতাক বজাৰলৈ গৈছে তাৰ পেণ্ট আনিবলৈ, পেণ্ট নাই কাৰনেই সি স্কুললৈ যাব পৰা নাই। তেনে পৰিস্থিতিত যদি চৰকাৰে বিনামূলীয়াকৈ সাজ পোছাক যোগান ধৰাৰ ব্যৱস্থা কৰে তেনেহলে তাক ডিভাইড এণ্ড ৰুল পলিচী বুলি কলে তাতকৈ হাস্যকৰ কথা আৰু একো হব নোৱাৰে। বাজেট খন সম্পূৰ্ণ টেক্স ফ্ৰি কৰাৰ ব্যৱস্থা কৰিছে। তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰীক ধন্যবাদ দিছোঁ আৰু সকলোৱে ধন্যবাদ দিয়া উচিত। ৰাইজৰ মঙ্গলজনক সমস্ত ব্যৱস্থাকে সামৰিলৈ বাজেট কৰা হৈছে আৰু ইয়াক সকলোৱে গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মই সামৰনী মাৰিছোঁ। ধন্যবাদ অধ্যক্ষ মহোদয়।

Shri Altaf Hussain Majumdar : Mr. Speaker, Sir, the people in the State hail the first budget discussion and high hopes rose in the minds of the people. But unfortunately, in this budget we do not find any strategy to fight with unemployment and to cross the poverty to line. Only that has been said is about tax figure. While it is known that such budgetary policy is not the imposition of a tax free budget. There

is no bar in taxation. Government will have to impose tax, whether that subject is generating economy or not. So this Government is not found clear for the economic mobilisation policy. But still I would like to congratulate the Chief Minister for his policy statement in paragraph 2. Because he has come forward with a statement which will go a long way. We want that this Government should live for five years. We do not want it to commit suicide. We want from this bench that it should continue and we will co-operate. Sir, here it is said that this Government is the Government of the people and it will work for the people irrespective of caste, creed, language and religion. We the people belonging to the minority communities are very happy to find such a statement. It is really appreciable and people of minority community will remember it. Sir, the hon'ble Chief Minister has said that he will give priority to the implementation of Assam Accord. We from this side say that we welcome this. Because the Congress has given a charter to the minority. The minority should live peacefully and not kept under dilusion. About 50 lakhs of people will have to be told clearly that they have nothing to fear. We could not explain to the people the best things of the agreement. Thanks to Mahantaji that he has signed the accord to regularise the people who came to India up to 1971. About 50 lakhs of people who are going to be recognised as Indian citizens are under the dilution even today that they will be driven out. Let them be told clearly that we cannot drive them out, we cannot drive out a single person. There may not be ten-

sion and undue pressure. I can say, Sir it is our duty to say that it is the best accord for the minority. By one stroke of pen Rajiyji has given the due right to the minorities, congress has given them the status, when Mr. Hiteswar Saikia was the leader, was the people's Government. There is reality in it. We will have to tell the people. That will help us, that will decrease the tension. So, sir so far as this Accord is concerned we stand by it. We support the Government and I fully agree with the hon'ble Member Mr. Sinha. Now, sir to execute this an atmosphere of peace and tranquility is required. Unfortunately, in the budget speech not a single word has been said. Sir, we are pointing out this aspect not for discrediting the Government because the House is in such a position that if the present Government fail to execute its commitment, there is no other party to form a Government. So we all want that this Government must continue and there should be stability. But certain truth shall have to be found out about the law and order situation. After the Masagor incident we have thought that there will not be any more incident. But what happened to Sibsagar—what happened to late Dehingia ? After the Masagor incident the hon'ble Chief Minister said that this kind of thing should not recur—this should not happen. But it has happened and it is happening. The hon'ble Chief Minister does not want this but still such lawlessness is there that we simply cannot deny, Sir, I am sure that this Government will see that a peaceful, calm and congenial atmosphere is prevailed for the all round development of the State.

Yesterday, one Hon'ble Member very rightly pointed out that this Government should be discussed and criticised not with a view to discredit it. Nobody wants that a Government's image should be turnished. But if a Government fails to maintain law and order, there will be problem for all. There may be extremists in a party and in every party there is extremist. But to-day Mr. Prafulla Kumar Mahanta's position is different. Sir, I am going to read out from newspaper which has been agitating by an active AGP supporter. Sir, I read with your permission.

সদৌ অসম ছাত্ৰ সন্থাৰে সদস্য বুলি পৰিচিত সাধাৰণ সদস্য সকলে এচাম যুৱ ছাত্ৰৰ বিশৃংখলা আৰু নৈতিক চৰিত্ৰৰ অবনতি ঘটা দেখি নগাৰৰ সৰ্ব্বসাধাৰণ শান্তিপ্ৰিয় ৰাইজৰ উপৰি বিশেষকৈ মাতৃসকল আৰু জীয়ৰী বোৱাৰী সকল অকল চিন্তিত হৈ পৰাই নহয়। সেইচাম উশৃংখল যুৱ ছাত্ৰই মাতৃ আৰু জিয়ৰী বোৱাৰী সকলৰ প্ৰতি কৰা আশালিন আচৰণ অশ্লিল আৰু অবাইচ মাতকথা আৰু বিকত চিঞৰৰ উপদ্ৰবত বাটপথ সভাই সমিতি আৰু বিভিন্ন অনুস্থান প্ৰতিস্থানলৈ সংসম্মানে ওলাই যাব নোৱাৰা হোৱাতো সকলোৰে চিন্তনীয় হৈ পৰিছে। এওঁলোকক সত পথে অনাৰ দায়িত্ব সদৌ অসম ছাত্ৰসন্থা বা অসমৰ পুৰুষ মহিলা আৰু জীয়ৰী বোৱাৰীয়ে অসমৰ অস্তিত্ব ৰক্ষাৰ্থে আৰু ঐক্য শান্তি আৰু প্ৰগতিৰ বাবে অসম গণ পৰিষদ দল বা পৰিষদৰ কোনো প্ৰাৰ্থীয়ে গম নোপোৱাকৈ স্বতঃ ফুৰ্ত. ভাবে নিৰ্ব্বাচনী অভিমান চলায় অসমৰ শাসনৰ গাদীত অধিস্থিত কৰা গণ পৰিষদ চৰকাৰে লবনে? এনেদৰে বাটে-পথে, সভাই সমিতিয়ে আনকি নিজৰ ঘৰতো মহিলা আৰু জীয়াৰী বোৱাৰী সকল এই উশৃংখল যুৱছাত্ৰ সকলৰ পৰা অপমানিত হবৰ কাৰণেই বিগত ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলন কৰা হৈছিল নেকি?

যদি এই ক্ষেত্ৰত কোনো কাৰ্য্যকাৰী ব্যৱস্থা লোৱা নহয় আৰু এই বিশৃংখল যুৱ ছাত্ৰ চামক এনেদৰে মানুহক বাটেপথে আশালীল ব্যৱহাৰ কৰিবলৈ এৰি দিয়া হয় আৰু মহিলাকে আৰম্ভ কৰি জীয়ৰী বোৱাৰী আৰু স্কুল কলেজৰ ছাত্ৰী সকলক বাটে পথে বাহিৰে ভিতৰে অবাইচ মাত কথা আৰু অশ্লীল বাক্য বা ইঙ্গিতৰে অত্যা-

চাৰ কৰিবলৈ এৰি দিয়া হয় তেনেহলে ছাত্ৰসন্থা বা ছাত্ৰ সমাজৰ ওপৰত থকা ৰাইজৰ তথা পুৰুষ মহিলা আৰু জীয়ৰী বোৱাৰী সকলৰ আস্থা নাইকীয়া হব আৰু ছাত্ৰ সন্থাৰ ভাব মূৰ্ত্তিও ম্লান হব, লগতে দেশখন আৰু জাতিটোৰ এক অপুৰণীয় ক্ষতি হব। Sir, I brought to the notice of the House as these things are happening. This is a very responsible paper and a responsible person from the AGP has pointed out these things. So all the elements who want to disturb the peaceful life of the people and sabotage the government should be dealt with severely.

Sir, now I just go to one subject and that is about language policy. We wish the government should give a clear policy about language. Because lot of confusion has arisen due to a statement given by AGP. So I seek a clear statement from the Chief Minister about language policy. Sir, the whole of Assam was under turmoil in 1960. There was disturbance over the language issue. And ultimately a formula was evolved known as Shastri Formula. Assamese is a sweet language .......

(সদনত হুলস্থূল হয়)

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকল, সদনৰ যি স্বাধীনতা সেইখিনি ৰক্ষা কৰিব লাগে। মিঃ মজুমদাৰ আপুনি কওঁক ।

Shri Altaf Hossain Mazumder : Sir, Assamese is a very sweet language and no-body will deny this. Even in my own constituency, I took initiative to open a School in Assamese in the name of Tarun Ram Phookan. So, sir, it is not a fact that Assamese are not liked by the Bengalis in Assam. We have not disliked the Assamese language.

The whole point is that when once we have adopted the principle of 'Shastri Formula; it should not be disturbed. Sir, when the official language act was passed, the principle of Shastri Formula was adopted. But now the Govt. is not giving any clear cut direction in this respect. In this connection I would like to read out a relevant portion from the speech of late Bimala Prasad Chaliha, then Chief Minister of Assam. The speech reads like this, "our object is two- fold-one to give the Assamese language the status of an official language for the State, and the other object is to see that this language is not imposed on those who do not want to have it". This speech was given by late Bimala Prasad Chaliha, then Chief Minister of Assam, on 24th October, 1960. Similarly, sir, late Siddhinath Sarma also spoke on the language bill and I would like to quote a portion which reads like this, "Today is a historic day of Assam. Today we have put an end to a long drawn controversy. The question of official language was agitating the minds of the people of Assam during the last decade". Therefore, sir, there should not be any controversy now and the language should not be imposed on those who do not want to have it. The way this Govt. is now trying to impose the language on those who do not want it is liekly to do more harm than good and they will be caught in their own action. So, sir, I will beseech the Govt. not to create an atmosphere not congenial to the State as a whole. I again appeal to the Govt. not to raise controvertiai issue and to follow the principle of Shastri Formula.

Now, about the proposals of the budget. Coming to the employment, we find that Govt. has given a staggering figure. It is an alarming position. Sir, everywhere there was an expectation that employment position would be eased to a great extent. Here we do not find any definite strategy for the solution of the unemployment problem. Sir, if I am obstructed by some Hon'ble Members, then it will not be possible for me to speak. As you know, sir, there is a dignity of the House and this should be maintained. Therefore, sir, in the field of unemployment, Govt. has failed to give any definite policy. Then, sir, as regards the removal of poverty. I would like to mention here that there are many programmes under' the 20 point programmes' to remove poverty. But here the Govt. have not mentioned any such programme for the removal of poverty. Govt. is not clear in this point. Then, sir, under 20 point programme, there are schemes like N. R. E. P, R. L. G. P. etc., but we find that works under those programmes are now almost stopped. Crores of rupees are coming from the Govt. of India, but they are not utilised. Though the money is provided by the Central Govt., the State Govt. is not spending the money. Now, sir, we will find in the year ending, crores of rupees are surrendered. Then, sir, as regards the Education, my Hon'ble friend Shri Abdul Muhib Mazumdar has already stated that education has taken the major chunk of the expenditure in the budget but the Govt. has not given any direct policy out-look and I fully agree with him because of the fact that nov when a school

teacher goes on leave D.I. cannot appoint a teacher because of the non-availability of Govt's clear policy in this direction. Govt. has stated on several occasions that a policy is going to be evolved but no clear policy is given as yet. Sir, I find that in my own constituency a teacher has gone on leave but th D.I. of Schools is not in a position to appoint any one against the leave vacancy. Sir, this is the position every-where in the field of education. Sir, I would just point out certain things for attention of the Government. Sir, Bihu is celebrated all over Assam by the people irrespective of caste and religion. It is one of the special festival for the people of Assam. We find here Sir, at Dispur, the Dispur Rangalee Bihu Committee has forcibly collected money from certain businessmen. They have collected money in sums of Rs, 1001·00 and so on. These businessmen have been forced to give subscription accordingly. I request Government to see how things are going on. There is no bar in collecting subscriptions. Government should take necessary action to stop this.

(Shouts from the A. G. P benches)

In a budget speech any member can raise any issue of general discussion, anybody can raise such question concerning the Government and the public.

Shri Surendra Nath Medhi ( Minister, law ) : Sir, under Rule 143 of the Rules of Procedure and Conduct of Business in Assam legislative Assembly, the hon. Member cannot raise this question. He can only deal with matters relating to the general budget. I would request him to confine his speech to the Rule.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ দিব বিচাৰিছো। কথাটো হৈছে এন, আৰ, ই, পি আই, এস, জি, পি আদিত টকা প্ৰত্যাহাৰ কৰিব বিচৰা হৈছে কিন্তু মই কও যে এইবোৰৰ এক পইচাও প্ৰত্যাহাৰ কৰা নাই।

Shri Altaf Hussain Mazumdar : Sir, I would like to suggest to the Government that the Family Welfare Department has been seperated in other States. Government of India is giving money for it. But it is not being seperated in Assam. I would request Government to see that this Deptt. is seperated soon. Some other States have taken the advantage of the Govt. of India's money. As far as I know the Government has stopped this until further orders. I would like to draw the attention of the Minister, Education to this point. The very day on which the new Minister was sworn in the Directorate of Secondary Education Department has effected some appointments. The former Govt. banned these appointment until further orders. And this Govt. also has banned appointments. I would request Minister, Education to look into it.

মাননীয় অধ্যক্ষ : এতিয়া শ্ৰীগুনিণ হাজৰিকাই কব।

শ্ৰীগুনিণ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ নতুন চৰকাৰৰ তৰুন মুখ্য মন্ত্ৰী মহোদয়ে ১৯৮৬-৮৭ চনৰ যি আশা ভৰা বাজেট উত্থাপন কৰিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। যিসকলে এই বাজেটৰ ওপৰত হোৱা আলোচনাত ভাগ লৈছে তেখেতসকলে আলোচনা প্ৰসঙ্গত ইয়াৰ নিৰাশা ব্যঞ্জক আৰু অন্ধকাৰ দিশটোৰ কথা উন্নুকিয়াইছে। কিন্তু মই তেখেতসকলক কব বিছাৰিছো যে এই বাজেট প্ৰস্তুত কৰোতে কেবাটাও দশক জোৰা অৰ্থনৈতিক দুৰ্ব্বল ভেটিৰ ওপৰত ভিত্তি কৰি নতুন মুখ্যমন্ত্ৰীয়ে বাজেট খন প্ৰস্তুত কৰি উত্থাপন কৰিছে। তেখেতে

যি অবস্থাত বাজেটখন উত্থাপন কৰিব লগা হৈছে তালৈ চায় আগৰ বাজেটৰ তুলনাত এইখন অধিক গুৰুত্বপূৰ্ণ বাজেট হৈছে। ইয়াৰ আটাইতকৈ উল্লেখনিয় দিশটো হ'ল ইয়াত এটা নতুন চিন্তাৰ উন্মেশ ঘটিছে। নতুন চিন্তা ধাৰাৰে ৰাইজৰ ওপৰত তেখেতে কোনো ধৰণৰ কৰ নলগোৱাকৈ প্ৰাকৃতিক সম্পদ আহৰণ কৰাৰ প্ৰচেষ্টা কৰা হৈছে। ইয়াৰ উপৰি পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত নতুন চিন্তাধাৰাৰে নতুন ব্যৱস্থা লবলৈ বিচৰা হৈছে। আমাৰ দেশৰ প্ৰাকৃতিক সম্পদৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট আয় কৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে সেই টকাৰ পৰা অসমৰ ৰাইজে কোনো সুফল নাপায়। বৰ্ত্তমান চৰকাৰে যি ব্যৱস্থা হাতত লব খুজিছে সেই ব্যৱস্থাৰে অসমৰ ৰাইজ সামগ্ৰিক ভাৱে উপকৃত হব বুলি আমি আশা ৰাখিছো। মন কৰিব লগীয়া কথা যে বনজ সামগ্ৰী, চাহ আৰু পেট্ৰলজাত সামগ্ৰী ৰাজ্যখনৰ এই তিনিবিধ ঘাই সম্পদৰ আন্তঃৰাজ্যিক হস্তান্তৰৰ যি নিয়ম চলি আছে, তাৰ ফলত সেই সামগ্ৰী সমূহৰ ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰাপ্য কৰৰ অংশৰ পৰা বঞ্চিত কৰা হৈছে বুলি বহু দিনিয়া অভিযোগ এটা আছে। বৰ্ত্তমান চৰকাৰে আন্তঃৰাজ্যিক বয়বস্তুৰ আদান প্ৰদানত কৰ লগোৱা ব্যৱস্থা প্ৰবৰ্ত্তন কৰিছে। তাকে হলে অসমৰ ৰাইজে যথেষ্ট ৰাহি পইচা পাব। খাৰুৱা তেলৰ 'ৰয়লিতি' বৃদ্ধি কৰিব খোজা কথাটো আমি সকলোৱে সমৰ্থন জনোৱা উচিত। বৰ্ত্তমানে ৰাজ্যখনৰ সাধাৰণ অঞ্চলৰ পৰিকল্পনাৰ বাবে বৰ্ত্তমানৰ ৭০ শতাংশ ঋন আৰু ৩০ শতাংশ অনুদানৰ পৰিবৰ্ত্তে উত্তৰ পুব অঞ্চলৰ অন্যান্য ৰাজ্যৰ লগত সামঞ্জস্য ৰাখি ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ অনুদান হিচাপত কেন্দ্ৰীয় সাহায্য দিয়াৰ নিয়ম কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয়চৰকাৰক অনুৰোধ কৰি… এইটো আছিল পুৰণা দাবী বৰ্ত্তমান চৰকাৰে এই দাবী পুনৰ উত্থাপন কৰিব হৈছিল। আমাৰ সম্পদৰ ভিত্তিত উপাৰ্জন আৰু ৰাহি কৰা বৈদেশিক… এটা অনুপাতিক বিনিয়োগ হব। উত্তৰ পূৰ্বাঞ্চলৰ আন ৰাজ্য সমূহক যি ধন… হয় সেই ব্যৱস্থাৰে অসমে নোপোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। আ… সু-ফল আৰু কু-ফল সকলো চিন্তা কৰি এই নতুন চৰকাৰে প… বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত এটা নতুন পদক্ষেপ হাতত লৈছে। বিকেন্দ্ৰীকৃত … ৰচনাত মহকুমা সমূহক গোট হিচাপে ললেও কেতবোৰ আচনি আৰু … সূচী ৰাজ্যিক পৰ্য্যায়ত যুগোতোৱা হব। সেই অনুসাৰে সকলোবোৰ আচনি

ৰাজ্যিক পৰ্য্যায়ৰ আৰু মহকুমা পৰ্য্যায়ৰ দুটা ভাগত ভগোৱা হব। ইয়াৰ ফলস্বৰূপে আমাৰ ভবিষ্যত অৰ্থনীতিত এটা নতুন দৃষ্টিপাত পৰিব বুলি আমি ভাবো। আমাৰ কেবাজনো বিৰুধী পক্ষৰ মাননীয় সদস্যই উল্লেখ কৰিছে যে, কুৰি দফীয়া আচনি সম্পৰ্কে এই বাজেটত কোনো কথা উল্লেখ নাই। তেখেতসকলক মই এইটো কথা জনাব বিচাৰিছো যে তেখেতসকলে কোৱাৰ দৰে কুৰি দফীয়া আচনিৰ ক্ষেত্ৰত ইন্দিৰা গান্ধীৰ নামত আমাৰ কোনো 'এলাৰ্জি' নাই। কিন্তু সেই বুলি ভাটৌৰ দৰে এই আঁচনিৰ ক্ষেত্ৰত থকা ব্যৱস্থা বোৰৰ কথা মুখস্থ নামাতি মহকুমা ভিত্তিত তাক অন্তৰভূক্ত কৰাৰ কথাহে আমি ভাবিছো। ইয়াৰ আগৰ চৰকাৰে কুৰি দফীয়া আচনিৰ কাম বিলাক সুসংহত ভাৱে কৰিব পৰা নাছিল। ফলত যি বিলাক কাম এতিয়ালৈকে অকৃতকাৰ্য্য ভাৱে পৰি থাকিল সেইবোৰ এতিয়া কৰিব খোজা দেখা গৈছে। এন আৰ ই পি আৰু ডি আৰ ডি এ ক্ষেত্ৰত এটা অভিযোগ উঠিছে যে, ইয়াৰ অধীনত কৰিব খোজা কামবোৰ স্থগিত হৈ গৈছে। কিন্তু আচলতে এইবোৰ স্থগিত হোৱা নাই। উদাহৰণ স্বৰূপে ১৯৮৩-৮৪ চনৰ আধৰুৱা কামবোৰ যি বোৰ বি ডি ও আৰু ঠিকাদাৰে টকা খাই পেলাই থৈছিল সেইবোৰ এতিয়া কৰিবলৈ বিচৰা হৈছে। গতিকে এই আচনিবিলাকৰ টকা ঘুৰাই পথোৱাৰ কথা চিন্তা কৰা নাই। আগতকৈ অধিক ক্ষিপ্ৰতাৰে কৰাৰ ব্যৱস্থা লবলৈ মই আমাৰ চৰকাৰক অনুৰোধ জনাইছো।

শিক্ষাৰ সম্পৰ্কত আলতাফ হুছেইন মজুমদাৰ ডাঙৰীয়াই বহুতো টকা ধৰা হৈছে বুলি সমালোচনা কৰিছে। আৰু কৈছে যে শিক্ষা সম্পৰ্কত কোনো নতুন ব্যৱস্থাৰ কথা উল্লেখ নাই। কিন্তু মই কওঁ যে এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ মানটো হৈছে যে' প্ৰাথমিক পৰ্য্যায়ৰ স্কূল সমুহত ৬ বছৰৰ পৰা ১৩ বছৰ বয়সৰ
শ্ৰীগু ছাত্ৰী সকলক বিনামূলীয়া পাথ্যপুথি আৰু স্কুলীয়া ইউনিফৰ্ম যতনাই দিবলৈ
মন্ত্ৰী ম প্ৰস্তাৱ কৰিছে।" পাঠ্য পুঠি আৰু স্কুল ইউনিফৰ্মৰ ক্ষেত্ৰত চৰকাৰে যি
মই ধ লছে সি অতি প্ৰসংশনীয় হৈছে। এই ক্ষেত্ৰত ইয়াৰ আগলৈকে যথেষ্ট
ভাগ ৈ কৰি অহা হৈছিল। ফৰাচী ভাষাত এটা কথা আছে Next to bread
দিশটো ion is the need of the pepole প্ৰকৃতপক্ষে আজিলৈকে শিক্ষাৰ
ক্ষেত্ৰত এই অভাৱ পুৰণ কৰিবৰ কাৰণে স্কুলৰ জৰাজীণ অৱস্থা দূৰকৰাৰ কাৰণে কোনো চেষ্টা কৰা হোৱা নাছিল। বৰ্ত্তমান শিক্ষা মন্ত্ৰী মহোদয়ে এনে শোচনীয় অৱস্থা

দূৰ কৰাৰ কাৰণে বলিষ্ঠ চিন্তা কৰিছে। এই ব্যৱস্থা'ৰে একবিংশ শতিকালৈ যাতে আমাৰ শিক্ষা নীতি আগবঢ়াই নিব পৰা হয় তাৰ ব্যৱস্থা লোৱা হৈছে। খেলা-ধুলাৰ ক্ষেত্ৰটো একেদৰে বলিষ্ঠ পদক্ষেপ লোৱা হৈছে। গতিকে মই ভাবিছো শিক্ষাৰ ক্ষেত্ৰত যি খিনি কথা উল্লেখ কৰা হৈছে সি যুক্তি যুক্ত হৈছে।

বনজ সম্পদৰ ক্ষেত্ৰত বহু কথা আলোচনা কৰা হৈছে বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্যই উল্লেখ কৰি কৈছে Forest is not important then human being but man cannot survive without forest কিন্তু এটা কথা মনত ৰাখিব লাগিব যে বন নহলে মানুহ জীয়াই থাকিব নোৱাৰে। বনজ সম্পদ ৰক্ষাৰ কাৰণে বৰ্ত্তমান চৰকাৰে যি ব্যৱস্থা লৈছে সি অতি শুদ্ধ আৰু গুৰুত্বপূৰ্ণ হৈছে। আগৰ চৰকাৰৰ দিনত বন্ধহৈ যোৱা প্লাইউদ ফেক্টৰী বৰ্ত্তমান খুলিবলৈ লোৱা হৈছে। মাননীয় সদস্য চন্দ্ৰ মোহন পাটোৱাৰীয়ে কোৱাৰদৰে ইয়াৰপৰা কোন কোন চহকী হৈছে সেই কথা চিন্তা কৰিবলগা হৈছে। মাননীয় মুখ্য-মন্ত্ৰী মহোদয়ে সদনক আশ্বাস দিছে যে এই বিষয়টো পৰ্য্যালোচনা কৰি চাবৰ কাৰণে এখন কমিতি গঠন কৰিব। মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাও এই কমিটিত চৰকাৰী বিষয়াৰ উপৰিও জনসাধাৰণৰ অভাব অভিযোগ উত্থাপন কৰিব পৰাকৈ বিধায়ক সকলক অন্তভূক্ত কৰা হয়।

জলসিঞ্চনৰ সম্পৰ্কত মই কব খুজিছো যে আগৰ চৰকাৰৰ দিনত জল-সিঞ্চনৰ যিবিলাক আচনি লোৱা হৈছিল সেইবিলাক জনসাধাৰণৰ কল্যানৰ বাবে লোৱা হোৱা নাছিল সেইবিলাক লোৱা হৈছিল চৰকাৰৰ নিজা মানুহৰ কল্যানৰ কাৰণেহে। আমাৰ কলিয়াবৰত এক যুগৰ আগতে যি উত্তোলন জলসিঞ্চন আচনি লোৱা হৈছিল সি আজিও কাৰ্য্যকৰি হৈ নুঠিব। বৰ্ত্তমান বাজেটত এই আচনিৰ বাবে যি টকা ধাৰ্য্য কৰা হৈছে সেই টকা যাতে বৃহত্ জলসিঞ্চন আচনিত খ... হয় মই তাৰ আশা কৰিছো।

অসম চুক্তি কাৰ্য্যকৰি কৰাৰ কথা মাননীয় শৰত সিংহ ডাঙৰীয়াই কৈছে। অসম চুক্তি সম্পাদন কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে স্পষ্ট আৰু পৱিত্ৰ ভাৱে কাৰ্য্যকৰি ব্যৱস্থা কৰা হব বুলি কৈছে। এই চুক্তি কাৰ্য্যকৰি কৰাৰ ক্ষেত্ৰত প্ৰশাসনীয় ব্যৱস্থাৰ কথা উল্লেখ কৰাটো অতি প্ৰয়োজন হৈছে। কিন্তু সিংহ ডাঙৰীয়াই কৈছে যে ই প্ৰশাসনীয় ব্যৱস্থাৰ কথা উল্লেখ কৰাৰ ফলত মানুহৰ মনত

আতংকৰ সৃষ্টি হৈছে। কিন্তু মই কৈছো নাই হোৱা, উদাহৰণ স্বৰূপে কও যে সিদিনা হৈ যোৱা উপনিৰ্ব্বাচনে এইটো কথা প্ৰমান কৰিলে যে যোৱা সাধাৰণ নিৰ্ব্বাচনত যিসকলে অসম গণ পৰিষদক ভোট দিয়া নাছিল সেই সকলেও উপনিৰ্ব্বাচনত অসম গণ পৰিষদক ভোট দিছে। ইয়াৰ পৰাই বুজা যায় যে মানুহৰ মনৰ পৰা আতংকৰ ভাৱ লাহে লাহে নাইকিয়া হৈছে। আগৰ চৰকাৰে ৰাজনৈতিক মুনাফা লাভৰ কাৰণে মানবীয় আৰু জাতীয় সমস্যাসমূহক ৰাজনৈতিক সমস্যালৈ ৰূপান্তৰিত কৰিছিল। ফলত মানুহৰ আশা আকাঙ্খা পুৰণ হোৱা নাছিল। কিন্তু বৰ্ত্তমানৰ বাজেটখনে সকলো দিশতে মানুহৰ আশা আকাঙ্খা পুৰাব বুলি প্ৰতিশ্ৰুতি দিছে। মই আশা ৰাখিছো আগতে যিবোৰ ভুল হৈ গল সেইবোৰ সংশোধন কৰি বৰ্ত্তমান চৰকাৰে কাম কৰি যাব। কিন্তু সেইবুলি ৰাতিটোৰ ভিতৰতে হাৰকিউলিচ ওজিয়াৰ দৰে সকলো কৰাটো সম্ভৱ হৈ নুঠে।

এই সৰ্ব্বাংগ সুন্দৰ বাজেটখন উত্থাপন কৰাৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি মই বক্তব্য সামৰনি মাৰিছো।

Mr. Speaker : I request the hon. member Shri Narzary to speak now,

*Shri Charan Narzary : Mr. Speaker Sir, I shall take the whole time allotted to us. The Presentation of the Budget Speech in a conventional practice in parliamentary democracy. Whether this budget has been beautifully pre-[illegible]red or not, I don't want to make any comment. Because [illegible] not the question of describing a budget as beautiful [illegible]gly. There is no reason to describe the budget as a [illegible]autifully decorated bride prepared for solemnisation of [illegible]e marriage ceremony. It has been said in the beginning of the budget speech by hon. Chief Minister that it is not an eassy task to make a clean, strong and stable efficient Govt. It has never been possible in the history of our

Indian Parliamentary democracy, probably nowhere in the world, because to give a clean, strong, stable and efficient Govt. entirely depends on the character of these who hold the reign of adminstration. I am sorry to say Sir, we the Indians have lost our national character. So, the task of making a clean and strong Govt. is very difficult. Of course, it is good that the Hon'ble Chief Minister professed to indicate this stupendous task of giving clean administration in the State. But on earlier occasion, I also said that profession and practice in our history of Parliamentary democracy has become contradictory; what we have to profess we do not practise. I hope, our Hon'ble Chief Minister will make every possible effort to translate his profession into practice, So far as Budget Speech of the Chief Minister is concerned. I want to make a few observations : Ours is an agro-based economy. That is way, probably, the Chief Minister has given an emphasis on this development of our agriculture. But this has not been possible and this will not be possible because of certain draw-backs. agriculture is our mainstay. This the base of human survival. But in reality, we have seen that proper attention has not been given to the problem of developing or achieving our objectives in agriculture. We are to see what are the drawbacks ? We are to improve the agro based economy of our State. Certain Departments are required to go together with coordination and concerted effort. But this is lacking in our system of administration. To improve agriculture, irrigation is necessary.

Irrigation is not all. Conservation of soil is also necessary. But this also is not all. Flood control is necessary and last of all comes the Forests. We have agriculture on our land-land is to be irrigated, but the agricultural lands are being eroded. Problem of controlling erosion is there; villages and paddy fields are washed away during floods. These all relate to agriculture-paddy land. But we have seen that there is no coordination and concerted efforts. Development of our agriculture depends on all this. On the contrary, our people are losing their lands. Whatever agricultural lands they possess are being devasted by gully erosion during floods, and now this Deptt. has not been successful in their programmes and schemes to ensusre protection of the lands of the cultivator. So, Hon'ble Chief Minister, I hope, will look into this. There should be some system of coordination among all these departments which is lacking in our system. Last of all comes this Forest Deptt., because whenever Irrigation Deptt. takes up a scheme for which the head of work is to be constructed within the forest land, the Forest Deptt. resists and the scheme is to be abandoned. This is happenning in our system. Now, about protection of forests, we are not opposed to the protection of forests. Forests have to be protected by all means, but not at the cost of human beings. Human beings are not for forests, forest is for the human beings. Why the forest resources have been destroyed, how and what is the process I do not want to elaborate. For this Government is responsible; I am not blaming the

new Government (voices : previous Government). Ever since the independence till now Government have not taken any positive policy whatsoever for protection of forest resources. The Forest officials are no less responsible because forest gives easy money (laughter in the Treasury benches). The system of departmental operation has been introduced. It was thought that this system might ensure protection of reserve forests ; might stop, to some extent, the destruction of forests: Now it has been seen that it has not and it cannot. Because it has given rather more opportunities to the forest officials, not all, of course. All forest officials cannot be said to be corrupt. But there are many (voices from the Treasury benches ; most of them). Now responsibility of felling the trees and selling them lies with the department. They employ labourers in the forest and fell the trees. It is called deparmental operation. Trees are sectioned ; timber business men are there waiting somewhere in the corner of the road, then the logs are load in trucks after giving numbers by hammer which means the timber is legal. It is something like a transit pass and they take the timber to the saw mills. It is happening. It is a tragedy that even the departmental operation has not been able to stop destruction of our forests not to speak of the illiterate villagers. So how to check destruction of forest ? The defect is there within the system itself. It has to be remedied.

Now, on the question of encroachment I am speaking with a heavy heart, Sir. My feelings and sentiments are the feelings and sentiments of the common people,

particularly the Tribals. You know Sir, the total number of so called encroachers mostly Tribals will not be less than one lakh. They are landless people, indigenous and aboriginals. How to solve this problem. The situation is very very explosive. I tell you, Sir, the situation is very very explosive and if the matter is mishandled then the consequence will be really disastrous. It is a question of security of lives and properties of these people. I do not say that these people should not be evicted. But where to rehabilitate these people ? Do the Government have enough land to accommodate them ? If they do not have land to provide these people where to send the people ? To send them to Bangladesh or China or throw them into the Brahmaputra ? ( laughter in the Treasury benches ) it is not a matter to be laughed at. Because, I have already told you that the situation is not that easy, it is very very explosive. If because of mis-handling of the situation by the Government something happens for that Sir, I tell you, we cannot be blamed.

Then comes the Revenue Department. Of course there is no mention, atleast I have not come across anything about Revenue Department in the Budget speech. It is a very very important aspect and should have been included in the Budget speech of the Chief Minister. With regard to this item I am mainly concerned with the implementation of the amended Chapter X of the Assam Land Regulation Act. Ever since the amendment the provisions of Chapter X of Assam Land Regulation Act has never been implemented:

It has been implemented in flouting the provisions of the Act. I hope the new Government will make every possible effort to implement the provisions of the land law governing Tribal Belts and Blocks in letter and spirit. For the purpose of implementing this law, Addl. Deputy Commissioners have been appointed in some of the districts. But they are not in a position to proceed with the implementation because no S.D.C.s have been appointed. Government on earlier occasions agreed and decided that special S.D.C.s will be appointed for the implementation of this law. They will assist the Addl. Deputy Commissioners.

Sir, in respect of Education also something is there in the offing particularly with regard to implementation of Bodo medium education. I am not elaborating it here. This language policy has to be settled once for all and for this the Chief Minister and his colleagues should take initiative for discussion with the leaders of Bodo Sahitya Sabha.

Mr. Speaker : Mr. Narzary it is already 11-30. You will get another 10 minutes.

Shri Charan Narzary : Should I conclude here, Sir ?

Mr. Speaker : You will continue to-morrow.

The House stands adjourned till 10 A.M. to-morrow the 15th March, 1986.

## ADJOURNMENT

The Assembly was then adjourned till 10 A.M. on Saturday, the 15th March, 1986.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly

Dispur
The 14th March, 1986.